Sacn to Donate
NEWSNEXTONE.COM

www.newsnextone.com
# e সংবাদ

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

MONDAY, DECEMBER 16, 2024 ■ সোমবাৰ, ৩০ আঘোণ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩৪৩ Guwahati, Assam ।। মূল্যঃ এটকা

‘যুগলবন্দী সাংস্কৃতিক কলাকেন্দ্ৰ’ৰ অভিনৱ উদ্যোগ

## ১০,১০১ গৰাকী আয়তীৰ দিহানামেৰে মুখৰিত শিৱসাগৰ

**ই-সংবাদ, শিৱসাগৰ, ১৫ ডিচেম্বৰঃ** স্থান শিৱসাগৰৰ পিয়লি ফুকন ষ্টেডিয়াম। আজি দিনৰ ১২ বজাৰ লগে লগে এক অভূৰ্তপূৰ্ব গৌৰৱময়ক্ষণৰ সাক্ষী হৈ ৰ'ল অসমবাসী। খেলপথাৰখনত জাতীয় সাজ পৰিধান কৰি একেলগে ১০,১০১ গৰাকী আয়তীয়ে পৰিৱেশন কৰে দিহানাম। দহ সহস্ৰাধিক আই মাতৃৰ কণ্ঠৰে নিগৰি অহা দিহা নামেৰে মুখৰিত হৈ পৰে প্ৰায় ২০ মিনিট শেষাংশ ২ পৃষ্ঠাত


১০,১০১ গৰাকী আয়তীৰ দিহানামেৰে মুখৰিত শিৱসাগৰৰ পিয়লি ফুকন ষ্টেডিয়াম, দেওবাৰে

লোকসভাত উদ্বেগজনক তথ্য, চতুৰ্থ স্থানত অসম

# ‘দক্ষ হিমন্ত’ৰ শাসনতো ৰক্তহীন ৰাজ্যৰ শিশু-মহিলা

### ৩ বছৰত ৰক্তহীনতাত আক্ৰান্ত শিশু-মহিলাৰ সংখ্যা প্ৰায় দুগুণলৈ বৃদ্ধি

**ই-সংবাদ, ১৫ ডিচেম্বৰঃ** মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অসমত স্বাস্থ্যখণ্ডৰ অৱস্থা ইমানেই পুতৌজনক যে মহিলা আৰু শিশু এতিয়া ৰক্তহীনতাত ভুগিবলগীয়া হৈছে। শিশু আৰু মহিলাৰ ৰক্তহীনতাৰ ক্ষেত্ৰত বেয়াৰ ফালৰ পৰা দেশৰ ভিতৰতে চতুৰ্থ স্থান লাভ কৰিছে অসমে। উন্নয়নৰ ফুলজাৰি মাৰি গপত গঙাটোপ হৈ থকা হিমন্ত শেষাংশ ৪ পৃষ্ঠাত

## প্ৰয়াত ওস্তাদ জাকিৰ হুছেইন


### দেশজুৰি শোকৰ ছাঁ



**নিউয়ৰ্ক, ১৫ ডিচেম্বৰঃ** ৭৩ বছৰ বয়সত স্তব্ধ হৈ পৰিল তবলা যাদুকৰৰ যাত্ৰা। প্ৰয়াত হ’ল ওস্তাদ জাকিৰ শেষাংশ ২ পৃষ্ঠাত

## আৰক্ষীক মহতিয়াই নিয়া চালকক এনকাউণ্টাৰ

### ড্ৰাগছ মাফিয়াই হত্যা কৰা উজ্জ্বলৰ শেষকৃত্য সম্পন্ন



**ই-সংবাদ, ১৫ ডিচেম্বৰঃ** ড্ৰাগছ মাফিয়াৰ বিৰুদ্ধে অভিযান চলাই থকা আৰক্ষী নিজেই সুৰক্ষিত শেষাংশ ৫ পৃষ্ঠাত

## ৰাজীৱ ভৱনত সম্পন্ন প্ৰদেশ কংগ্ৰেছৰ বৈঠক, জিলা কংগ্ৰেছৰ সভাপতি সালসলনিৰ সিদ্ধান্ত

**ই-সংবাদ, গুৱাহাটী, ১৫ ডিচেম্বৰঃ** ২০২৬ৰ নিৰ্বাচনৰ পূৰ্বে অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে জিলাৰ সভাপতিসমূহ সলনি কৰিব। প্ৰদেশ কংগ্ৰেছৰ ৰাজনৈতিক পৰিক্ৰমা সমিতিৰ বৈঠকত এই গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ শেষাংশ ৪ পৃষ্ঠাত






| Scholarship Amount | Fees to pay | How many students will get |
|---|---|---|
| 80 % | 1000 | 100 |
| 50 % | 2500 | 200 |
| 20 % | 4000 | 300 |
| No Scholarship | 5000 | No Limit |


## তিনিচুকীয়াত অগ্নিকাণ্ড, ৮জন লোক আহত

**ই-সংবাদ, ডুমডুমা, ১৫ ডিচেম্বৰঃ** বাণিজ্যিক চহৰ তিনিচুকীয়াৰ ল’ কলেজ পথৰ শনি মন্দিৰৰ সমীপৰ চন্দ্ৰমতী নিবাসত শেষাংশ ৩ পৃষ্ঠাত

## পাটকাইৰ শিলত প্ৰাক ঐতিহাসিক যুগৰ টাই লিপি!

**ই-সংবাদ, ডুমডুমা, ১৫ ডিচেম্বৰঃ** অসম আৰু অৰুণাচল প্ৰদেশক সাঙুৰি ৰখা পাটকাই পৰ্বতত প্ৰাগ ঐতিহাসিক যুগৰ তাই ভাষা সদৃশ লিপি থকা শিলৰ (গ্ৰেনাইট) সন্ধান পোৱা গৈছে। এই সন্দৰ্ভত জানিব পৰা অনুসৰি, বিগত পাঁচ বছৰ ধৰি সাংবাদিক প্ৰাঞ্জল ভূঞা, অৰুণাচল প্ৰদেশৰ চাংলাং জিলাৰ জয়ৰামপুৰৰ যুৱনেতা জেমচ



যোগিল আৰু জয়ৰামপুৰৰে কেইজনমান যুৱকৰ সৈতে সদৌ তাই আহোম ছাত্ৰ সন্থাৰ সভাপতি মিলন বুঢ়াগোহাঁইয়ে এই বিশেষ শেষাংশ ৩ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰয়াত ওস্তাদ জাকিৰ হুছেইন

হুছেইন। দেওবাৰে আমেৰিকাৰ ছান ফ্ৰান্সিস্কোৰ এখন চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল শিল্পীগৰাকীক। কেইবাটাও সংবাদ মাধ্যমৰ সূত্ৰৰ পৰা জানিব পৰা মতে, হৃদজনিত ৰোগৰ বাবে আইচিইউত চিকিৎসাধীন হৈ আছিল ওস্তাদ হুছেইন। অৱশেষত চিকিৎসাধীন অৱস্থাতে শেষ নিশ্বাস ত্যাগ কৰে তেওঁ। দেওবাৰে বিয়লি শিল্পীগৰাকীৰ পৰিয়ালে প্ৰথমে সংবাদ মাধ্যমক এই অসুস্থতাৰ বিষয়ে অৱগত কৰে। কোৱা হৈছে যে তবলাবাদক, সংগীত শিল্পী ওস্তাদ জাকিৰ হুছেইন অসুস্থ। গুৰুতৰ অৱস্থাত তেওঁক আমেৰিকাৰ ছান ফ্ৰান্সিস্কোৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। ইফালে তবলা যাদুকৰজনৰ অসুস্থতাৰ কথা শুনি অনুৰাগীসকল চিন্তিত হৈ পৰে। অনুৰাগীয়ে তেওঁৰ আশু আৰোগ্য কামনা কৰি ছ'চিয়েল মিডিয়াত পোষ্ট কৰিবলৈ আৰম্ভ কৰে। তেওঁ এইবাৰ অনুষ্ঠানটো পৰিবেশন কৰিবলৈ ভাৰতলৈ অহাৰ কথা আছিল যদিও স্বাস্থ্যৰ অৱনতি ঘটাৰ বাবে কাৰ্যসূচী বাতিল কৰা হয়। জাকিৰ হুছেইনক চিনি নোপোৱা মানুহ পৃথিৱীত কমেই ওলাব। শাস্ত্ৰীয় সংগীতৰ জগতখনত তেওঁ আছিল এগৰাকী প্ৰসিদ্ধ তাৰকা। পদ্মশ্ৰীৰ পৰা পদ্ম ভূষণ, পদ্ম বিভূষণ, গ্ৰেমী - সকলো বঁটাই লাভ কৰিছে এইগৰাকী মহান শিল্পীয়ে। শিল্পীগৰাকীৰ বিয়োগত এতিয়া চৌদিশে বৈছে শোকৰ বন্যা। উল্লেখ্য যে, ১৯৫১ চনত মুম্বাইত জন্মগ্ৰহণ কৰিছিল জাকিৰ হুছেইনে। তিনি বছৰ বয়সৰ পৰাই তেওঁৰ তবলাৰ যাত্ৰা আৰম্ভ হৈছিল। সাত বছৰ বয়সত তেওঁ অকলে মঞ্চত অনুষ্ঠান পৰিৱেশন কৰিছিল। হিন্দুস্তানী শাস্ত্ৰীয় সংগীত জগতখনৰ এইগৰাকী সম্ৰাটৰ অৱশেষত দেওবাৰে নিশা এক বিৰল যাত্ৰাৰ অন্ত পৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ১০,১০১ গৰাকী আয়তীৰ

সময়। যুগলবন্দী সাংস্কৃতিক কলাকেন্দ্ৰৰ উদ্যোগত ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা নিজা খৰচত একত্ৰিত হোৱা আয়তীসকলে পৰিৱেশন কৰা এই দিহানামে আধ্যাত্মিক পৰিৱেশ সৃষ্টিৰ লগতে গঢ়িবলৈ সক্ষম হয় একাধিক ৰেকৰ্ড। ১০,১০১ গৰাকী আইমাতৃয়ে একেলগে দিহানাম পৰিৱেশন কৰি 'অসম বুক অৱ ৰেকৰ্ড'ত নাম খোদিত কৰিবলৈ সক্ষম হয়। ইয়াৰ উপৰিও একেলগে ১০,১০১ গৰাকী মহিলাই হাত চাপৰি বজোৱা আন এক অভিলেখৰো অধিকাৰী হয়। অতি সুশৃঙ্খলাবদ্ধভাৱে অনুষ্ঠিত কৰা এই দিহানামৰ দৃষ্টিনন্দন অনুষ্ঠানে স্বাভাৱিকতে মন পুলকিত কৰে অসম বুক অৱ ৰেকৰ্ডছৰ বিষয়ববীয়াৰ লগতে নেশ্যনেল বুক অৱ ৰেকৰ্ডছৰ প্ৰতিনিধিৰ। বেচৰকাৰী অনুষ্ঠানৰ উদ্যোগত একেলগে ইমান বৃহৎসংখ্যক মহিলাই পৰম্পৰাগত একেই সাজত কৰা এনে অনুষ্ঠান পূৰ্বতে ভাৰতৰ আন ক'তো হোৱা নাছিল বুলি উল্লেখ কৰে। লগতে নেশ্যনেল বুক অৱ ৰেকৰ্ডছত নাম অন্তৰ্ভুক্ত কৰিব পাৰি নেকি সেয়া বিবেচনা কৰিব বুলি জানিবলৈ দিয়ে। ইপিনে অনুষ্ঠানটি সফল হোৱাৰ পিছতে আৱেগিক হৈ পৰে যুগলবন্দী সাংস্কৃতিক কলাকেন্দ্ৰৰ মূল আইমাতৃ নিৰ্মলা দাস। "যোৱা তিনিমাহ ধৰি আমি এই প্ৰস্তুতি চলাইছিলো। চৰকাৰী অনুদান অবিহনে সকলো ৰাইজৰ সহায়-সহযোগিতাৰ বাবে এয়া সম্ভৱ হ'ল। ইয়াৰ বাবে প্ৰতিগৰাকী আইমাতৃৰ ওচৰত আমি কৃতজ্ঞ। আমাৰ উদ্দেশ্য কেৱল ৰেকৰ্ড গঢ়া নাছিল। এনেধৰণৰ পৰিৱেশে নৱপ্ৰজন্মক আধ্যাত্মিক চিন্তা চেতনাৰো উন্মেষ ঘটাব। মহাপুৰুষ দুজনাই দি থৈ যোৱা আদৰ্শ প্ৰসাৰিত কৰাত সহায়ক হ'ব।"- অনুষ্ঠানৰ অন্তত এই মন্তব্য কৰে নিৰ্মলা দাসে। লক্ষণীয় যে ৰেকৰ্ডৰ বাবে অনুষ্ঠানত দুটা দিহানাম পৰিৱেশন কৰা হয়। দিহানাম পৰিৱেশনৰ প্ৰাকক্ষণত পিয়লি ফুকন ষ্টেডিয়ামত অতিথি হিচাপে উপস্থিত হয়হি স্থানীয় বিধায়ক অখিল গগৈ, আউনীআটি সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামী, দিহানামৰ সম্ৰাট কমলা গগৈসহ বহু সংখ্যক গণ্য মান্য ব্যক্তি। অখিল গগৈয়ে আয়তীসকলৰ সন্মুখত সেৱালৈ আশীৰ্বাদ গ্ৰহণৰ লগতে চমু বক্তব্য প্ৰদান কৰে। অখিল গগৈয়ে কয়, "চৰকাৰে আজি এনে অনুষ্ঠান পতা হ'লে বহু কোটি টকা খৰচ কৰা দেখুৱালেহেঁতেন। কিন্তু চৰকাৰী পৃষ্ঠপোষকতা অবিহনেও ৰাইজে ইচ্ছা কৰিলে বহুত কিবা কৰিব যে পাৰে সেয়া আজি প্ৰমাণ হ'ল। ৰাইজে নখ জোকাৰিলে নৈ বয়, প্ৰমাণ হ'ল।" ধেমেলীয়া সুৰতো ভাষণ দি অখিল গগৈয়ে কয়, "যুগলবন্দী সাংস্কৃতিক কলা কেন্দ্ৰই যে ইমান নিয়াৰিকৈ এনে বৃহৎ অনুষ্ঠান পাতিব মই সপোনতো ভবা নাছিলো। দহ সহস্ৰাধিক আই মাতৃক একত্ৰিত কৰি এনে অনুষ্ঠান কৰাটো সহজ নহয়। মই সামান্য কিবা এটা দিছো। ইমান ডাঙৰ অনুষ্ঠান বুলি আগেয়ে গম পোৱা হ'লে সৰহকৈ দিলোহেঁতেন। এতিয়া আই সকললৈ পানী এবটল এবটলৰ বাহিৰে একো দিব পৰা নাই।" দিহানাম পৰিৱেশন কাৰ্যসূচী শুভাৰম্ভ কৰে সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে। উল্লেখ্য যে প্ৰথমে শিৱসাগৰ বৰ্ডিং খেলপথাৰত ৫,৫০০ গৰাকী মহিলাই দিহানাম পৰিৱেশন কৰাৰ কথা আছিল। পিছত ৮৮৮৮ গৰাকীলৈ বৃদ্ধিৰ সিদ্ধান্ত লোৱা হয়। কিন্তু পিছত এই দিহানাম পৰিৱেশন অনুষ্ঠান বৰ্ডিং খেলপথাৰত অনুষ্ঠিত কৰিবলৈ জিলা প্ৰশাসনে সহমত নিদিয়াত স্থান সলনি কৰিবলগীয়া হয়। এই অনুষ্ঠানৰ বাবে পিয়লি ফুকন খেলপথাৰখন এৰি দিয়ে আৰু সংখ্যা ১০ হেজাৰলৈ বৃদ্ধি হয়। খেলপথাৰখন এৰি দিয়াত জিলা ক্ৰীড়া সন্থাৰ সভাপতি পোনাৰাম মিলিৰ প্ৰতিও কৃতজ্ঞতা প্ৰকাশ কৰে উদ্যোগক্তাসকলে।

### ■ শিৱসাগৰৰ নৱজ্যোতিলৈ স্বীকৃতি

শিৱসাগৰৰ বিশিষ্ট পৰিৱেশ কৰ্মী, সমৰ কলাবিদ তথা যুৱ সংগঠক, সমাজকৰ্মী নৱজ্যোতি শইকীয়ালৈয়ো আজি বিৰল স্বীকৃতি প্ৰদান কৰে অসম বুক অৱ ৰেকৰ্ডছে। কিছুদিন পূৰ্বে নৱজ্যেতি শইকীয়াই পৰিৱেশ সংৰক্ষণৰ সজাগতাৰ উদেশ্যে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ সুদীৰ্ঘ ২৪ দিনত বাইচাইকেলেৰে ২০৮২ কিলোমিটাৰ পৰিভ্ৰমণ কৰিছিল। যুৱ প্ৰজন্মৰ হাৰ্ট থ্ৰ'ৰ জুবিন গাৰ্গে ৰংঘৰৰ পদূলিৰ পৰা ফ্লেগ অফ কৰি এই চাইকেল যাত্ৰাৰ শুভাৰম্ভণি কৰোৱাইছিল। বিগত দুটা দশক ধৰি সামাজিক ক্ষেত্ৰখনলৈ বৰঙণি আগবঢ়াই অহা নৱজ্যোতি শইকীয়াই নীৰৱে প্ৰকৃতি সংৰক্ষণৰ লগত জড়িত হৈ আহিছে। আজি শিৱসাগৰত আয়োজিত বিৰল অভিলেখ সৃষ্টিকাৰী দিহা নাম অনুষ্ঠানৰ পিছতেই অসম বুক অৱ ৰেকৰ্ডচৰ অসমৰ সঞ্চালক মনজিত শৰ্মা, দিল্লীস্থিত শীৰ্ষ বিষয়া ৰাম কুমাৰ কাৰ্কী আৰু প্ৰতিনিধি ৰমাকান্ত নমঃশূদ্ৰই আনুষ্ঠানিকভাৱে নৱজ্যোতি শইকীয়াক এই বিৰল অভিলেশৰ প্ৰমাণ পত্ৰ প্ৰদান কৰে। নৱজ্যোতি শইকীয়াক এই এই সন্মান প্ৰদানৰ পিছতেই শিৱসাগৰ জিলা ছাত্ৰ সন্থা, শিৱসাগৰ ই-মেডিয়া সংস্থা, অসমীয়া যুৱ মঞ্চ, জাতীয় সংগ্ৰামী সেনা, জিলা সাংবাদিক সংস্থা, সদৌ তাই আহোম ছাত্ৰ সন্থাকে ধৰি বিভিন্ন অনুস্থান-প্ৰতিষ্ঠানে অভিনন্দন জ্ঞাপন কৰিছে।

# খানাপাৰা-জালুকাবাৰী ঘাইপথৰ ওপৰত ফুটব্ৰীজ নিৰ্মাণৰ দাবী

**ই-সংবাদ, ১৫ ডিচেম্বৰঃ** মহানগৰীৰ খানাপাৰা-জালুকাবাৰী সংযোগী ২৭নং ৰাষ্ট্ৰীয় ঘাইপথ ছয়লেন যুক্ত কৰাত পূৰ্বৰ ক্ৰছিংসমূহ আতৰাই পেলোৱাত ঠাঁয়ে ঠাঁয়ে পথচাৰী বিশেষকৈ স্থানীয় লোকে ব্যাপক সমস্যাত পৰিছে। পথ অতিক্ৰম কৰিবলগীয়া হ'লে এক কিলোমিটাৰ পৰ্যন্ত পথ অতিক্ৰমী কৰিবলগীয়াত পৰিছে। পূৰ্বে খানাপাৰা-জালুকাবাৰী সংযোগী ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ লালমাটিৰ দিশৰ পৰা গৈ সিটোপাৰে থকা গেম ভিলেজলৈ যাব পৰাকৈ ক্ৰছিং আছিল। কিন্তু পথটো ছয়লেনযুক্ত কৰাৰ সময়ত ক্ৰছিং আতৰাই দিয়াত ব্যাপক সমস্যাত পৰা ৰাইজে ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ লালমাটিত এখন ফুটব্ৰীজ নিৰ্মাণৰ দাবী উত্থাপন কৰিছে। আজি গেম ভিলেজত সমৱেত হৈ একাংশ লোকে এখন ফুটব্ৰীজ নিৰ্মাণৰ ব্যৱস্থা কৰাৰ দাবী জনাইছে। গেমছ ভিলেজ আৰু লালমাটিক সংযোগ কৰিবলৈ ২৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত ফুটব্ৰীজ দাবী কৰিবলৈ ৰাইজ একত্ৰিত হয়। লালমাটি গণেশপুৰ উন্নয়ন সমিতিৰ উদ্যোগত গেমছ ভিলেজৰ সন্মুখত সমৱেত শতাধিক লোক শীঘ্ৰে ফুটব্ৰীজখন নিৰ্মাণৰ বাবে চৰকাৰক আৰ্জি দিয়ে। উল্লেখ্য যে উক্ত স্থানেৰে ৰাস্তা পাৰ হোৱাতো বিপদজনক হৈ পৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# পাটকাইৰ শিলত প্ৰাক ঐতিহাসিক

শিলাখণ্ডৰ বিষয়ে চলোৱা চৰজমিন তদন্তৰ অন্তত যোৱা ১৩ ডিচেম্বৰত জয়ৰামপুৰৰ বিধায়ক চাও লাইছেম চিমাই, সাংবাদিক প্ৰাঞ্জল ভূঞা, জেমচ যোগিল, বিশিষ্ট বুৰঞ্জীবিদ প্ৰবীণ শৰ্মা, সাংবাদিক ভৈৰৱ মুণ্ডা আৰু জয়ৰামপুৰৰ কেইজনমান যুৱকৰ সৈতে জয়ৰামপুৰৰ পৰা ঘন জংঘলৰ মাজেৰে প্ৰায় তিনি ঘণ্টাৰ অতি দুৰ্গম পথ ট্ৰাকেৰে অতিক্ৰম কৰাৰ লগতে দুই ঘণ্টা পথ খোজ কাঢ়ি গৈ অৰুণাচল-ম্যানমাৰ সীমান্তৰ নিচেই কাষৰ লংভি নামৰ অঞ্চলত উপস্থিত হয়। তাতেই দেখা পোৱা প্ৰাগ ঐতিহাসিক যুগৰ বুলি অনুমান কৰা এটা প্ৰকাণ্ড শিল (গ্ৰেনাইট)ত খোদিত আছে কিছু তাই ভাষাৰ লিপি। টাই ভাষাৰ বুলি ধাৰণা কৰা উক্ত খোদিত লিপিক অহা-যোৱা পথৰ দিশ নিৰ্ণয়ৰ চিহ্ন বুলি অনুমান কৰা হৈছে। স্থানীয় ৰাইজে বহু বছৰৰ আগতে এই ঠাইত কলহ সদৃশ কিছু পাত্ৰও প্ৰত্যক্ষ কৰিছিল, যি আহোম যুগৰ মটেঙ হব পাৰে অনুমান কৰিছে সদৌ তাই আহোম ছাত্ৰ সন্থা, চমুকৈ "আটাছু"ৰ সভাপতি মিলন বুঢ়াগোহাঁইয়ে। পাটকাই পৰ্বতৰ এই বাটেৰেই চাওলুং চ্যুকাফাই আহি ১২২৮ খ্ৰীষ্টাব্দত সৌমাৰ খণ্ডত ভৰি থোৱাৰ এটা ধাৰণাক নুই কৰিব নোৱাৰি বুলি দলটোত যোৱা বুৰঞ্জীবিদ প্ৰবীণ শৰ্মাই ক'ব বিচাৰে। অৱশ্যে, অৰুণাচল প্ৰদেশ চৰকাৰৰ লগত যোগাযোগ কৰি উক্ত অঞ্চলটোত অসম চৰকাৰে অধিক জৰীপৰ ব্যৱস্থা কৰিলেহে প্ৰকৃত সত্যাসত্য নিৰ্ৰূপণ কৰিব পৰা যাব। ইতিমধ্যে তাই আহোম ছাত্ৰ সন্থাই এই শিলটোৰ এটা টুকুৰা পৰীক্ষা কৰাৰ ব্যৱস্থা কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষৰ ওচৰলৈ প্ৰেৰণ কৰাৰ ব্যৱস্থা কৰিছে বুলি আটাছুৱে জানিবলৈ দিছে। বিষয়টোৰ সন্দৰ্ভত পৰৱৰ্তী সময়ত কৰিবলগীয়া কামখিনি ক্ষিপ্ৰতাৰে কৰি প্ৰকৃত সত্য উদঘাটন কৰিব পাৰিলে অসম বুৰঞ্জীত উক্ত ঘটনাই এক নতুন পৃষ্ঠাৰ সংযোজন ঘটাব বুলি 'আটাছু' ৰ সভাপতি মিলন বুঢ়াগোহাঁইয়ে স্পষ্ট কৰিছে। এতিয়া চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া হ'ব লক্ষণীয়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# তিনিচুকীয়াত অগ্নিকাণ্ড, ৮জন

আজি দিনৰ ভাগত সংঘটিত হোৱা এক ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনাই ৰহস্যৰ সৃষ্টি কৰিছে। ঘটনা সন্দৰ্ভত প্ৰাপ্ত তথ্য অনুসৰি, তিনিমহলীয়া উক্ত নিবাসটোত পৃথকে পৃথকে থকা তিনি ককাই-ভাই ক্ৰমে প্ৰয়াত লক্ষ্মণ শ্বাহ, ঋষিৰাজ শ্বাস আৰু শত্ৰুঘ্ন শ্বাহৰ প্ৰতিটো পৰিয়ালৰ সম্পূৰ্ণ সুকীয়া-সুকীয়াকৈ প্ৰৱেশ পথৰ লগতে বাসগৃহৰ মাজত ৱাল থকাত তিনিমহলীয়া বিল্ডিংটোত ইটো পৰিয়ালে সিটো পৰিয়ালৰ ওচৰলৈ যাবলগীয়া হ'লে তললৈ নামিব লগীয়া হয়। আজি দুপৰীয়া ভাগত দ্বিতীয় মহলাৰ নিৱাসী ঋষিৰাজ শ্বাহৰ মহলাত হঠাৎ অগ্নিকাণ্ড হোৱা প্ৰত্যক্ষ কৰে কাষৰ আবাসীয়ে। চাওঁতে চাওঁতে দ্বিতীয় মহলাৰ এখন খিৰিকিৰে অগ্নিদগ্ধ অৱস্থাত এজন লোক তললৈ জপিয়াই আত্মৰক্ষাৰ চেষ্টা কৰে। উক্ত ঘটনাৰ খবৰ পোৱা মাত্ৰকে অগ্নিনিৰ্বাপক বাহিনীৰ তিনিখনকৈ গাড়ী ঘটনাস্থলীত উপস্থিত হৈ আঠজন লোকক অগ্নিদগ্ধ অৱস্থাত উদ্ধাৰ কৰাত আটাইকেইজনকে ততাতৈয়াকৈ তিনিচুকীয়া চহৰৰ দাঁতি কাষৰীয়া মাকুম মেডিকেল কলেজলৈ নিয়া হয় যদিওঁ উন্নত চিকিৎসাৰ বাবে তেওঁলোকক ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হস্পিতেললৈ প্ৰেৰণ কৰা হয়। জানিব পৰা অনুসৰি, আঠজনৰ তিনিজন ক্ৰমে কাৰ্তিক প্ৰসাদ, ৰেখা দেৱী (৪০) আৰু মুন্না শ্বাহ (৩৫)ৰ অৱস্থা অতি সংকটজনক। অগ্নিদগ্ধ বাকী পাঁচজন হৈছে পুনম দেৱী (৪৪), মঞ্জু দেৱী (৫৫), ৰীণা প্ৰসাদ (৩২), শিনৰা শ্বাহ (৩০) আৰু ঋষি প্ৰসাদ (৩১)। অগ্নিকাণ্ডৰ কাৰণ এতিয়ালৈকে স্পষ্ট হোৱা নাই যদিও তিনিচুকীয়া জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক মৃন্ময় দাস আৰু তিনিচুকীয়া সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া পৰাগজ্যোতি বুঢ়াগোহাঁইয়ে ঘটনাৰ সন্দৰ্ভত পৰ্যবেক্ষণ কৰি অগ্নিকাণ্ড সংঘটিত হোৱা আবাসগৃহৰ প্ৰৱেশ পথত সিচৰিত অৱস্থাত উদ্ধাৰ হোৱা সা-সামগ্ৰীৰ নমুনা সংগ্ৰহ কৰি চলোৱা অনুসন্ধানৰ ফলাফলৰ পিছতহে ঘটনাৰ প্ৰকৃত কাৰণ স্পষ্ট হ'ব বুলি সদৰি কৰে। ঘটনাৰ খবৰ পায়ে ঘটনাস্থলীত উপস্থিত হোৱা তিনিচুকীয়া জিলা আয়ুক্ত স্বপ্নীল পালে সমগ্ৰ ঘটনাৰ বুজ লৈ এক দণ্ডাধীশ পৰ্যায়ৰ তদন্ত ঘোষণা কৰাৰ লগতে ঘটনাৰ তদন্তৰ দায়িত্ব তিনিচুকীয়া ৰাজহ চক্ৰ বিষয়াক অৰ্পণ কৰা বুলি সদৰি কৰে। গুৰুত্বপূৰ্ণ কথা এয়ে যে, নিৱাসটোৰ তলত কেইবাখনো ব্যৱসায়িক প্ৰতিষ্ঠান আছে যদিও আজি দেওবাৰৰ দিন হোৱা হেতুকে তিনিচুকীয়া চহৰৰ ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ বন্ধ থকাত এক ভয়ংকৰ ঘটনাৰ পৰা ব্যৱসায়িক প্ৰতিষ্ঠানকেইটা ৰক্ষা পৰিল যদিও উক্ত ঘটনাক লৈ এতিয়াও চাঞ্চল্যই বিৰাজ কৰিছে।

# তৰুণ গগৈৰ দিনত এপিএছছিত ৰাকেশ পালৰ দৰে অজগৰ আছিলঃ মুখ্যমন্ত্ৰী

**ই-সংবাদ, ১৫ ডিচেম্বৰঃ** মহানগৰীৰ সৰুসজাই ষ্টেডিয়ামত আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই স্পষ্ট কৰে যে কোচিং লৈ থকা শিক্ষাৰ্থীয়ে স্কুটী নাপায়। ৰেচন কাৰ্ড বিতৰণ কাৰ্যসূচীত অংশ লৈ মহানগৰীৰ সৰুসজাই ষ্টেডিয়ামত মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰিছে যে কাৰো যুক্তি, কাৰো জেদ পূৰণ নহ'ব। কোচিং লৈ থকা শিক্ষাৰ্থীয়ে স্কুটী নাপায়। দ্বাদশ উত্তীৰ্ণ হৈ মেডিকেল, ইঞ্জিনিয়াৰিং বা মেনেজমেণ্টৰ পাঠ্যক্ৰমৰ বাবে গেপ দি কোচিং লৈ থকা শিক্ষাৰ্থীয়ে স্কুটী নাপাব। মুখ্যমন্ত্ৰীয়ে আজি স্পষ্টকৈ কয় যে দ্বাদশৰ পিছত নামভৰ্তি কৰি কলেজত অধ্যয়ন কৰি নাথাকি কোচিং লৈ থকাসকলক স্কুটী দিয়া নহয়। কোচিং লৈ থকা ছাত্ৰ-ছাত্ৰীৰ জেদ পূৰণ কৰা নহ'ব বুলি স্কুটী দাবী কৰি অহা শিক্ষাৰ্থীক আজি ৰঙাচকু দেখুৱাই মুখ্যমন্ত্ৰীয়ে। প্ৰতিটো কথাতে জেদ কৰি থাকিলে চৰকাৰে চৰৱে কথা শুনিব থাকিব নেকি বুলি কোচিং লৈ থতা শিক্ষাৰ্থীক উভতি ধৰে মুখ্যমন্ত্ৰীয়ে? মুখ্যমন্ত্ৰীয়ে সৰল ভাষাৰে কয় যে স্কুটীৰ আঁচনিখনেই হৈছে কলেজলৈ যাবৰ বাবে। স্কুটী লাগিলে কলেজলৈ যাব লাগিব। যাৰ দেউতাক-মাকে কোচিং কৰাব পাৰে সেইসকলে দুখীয়া মানুহৰ স্কুটীখন লৈ ভাল পাব জানো। নিজেই কষ্ট পাব। ইতিমধ্যে বহু দ্বাদশ উত্তীৰ্ণ তথা কলেজত নামভৰ্তি নকৰা শিক্ষাৰ্থীয়ে কঠোৰ ভাষাৰে কৈছিল যে আমাক স্কুটী লাগিবই। কিয়নো স্কুটী লাভৰ যি অৰ্হতা সেয়া আমি পূৰণ কৰিছো। স্কুটী দিবলৈ প্ৰকাশ কৰা নিৰ্দেশনাত কোচিং ল'লে স্কুটী নাপোৱাৰ কথা কতো উল্লেখ নাই। একাংশ ছাত্ৰীয়ে কয় যে আমি দ্বাদশ উত্তীৰ্ণ হৈ গেপ নল'লে পৰৱৰ্তী পৰীক্ষাত ৭০০ নম্বৰ কেনেকৈ পাম। কিন্তু আমি স্কুটী পাব লাগে। কিন্তু মুখ্যমন্ত্ৰীয়ে যুক্তি দি কয় যে এইখন কোনো আমি পুৰস্কাৰ হিচাপে দিয়া নাই। এয়া হৈছে কলেজলৈ যাবলৈ দিয়া স্কুটী। তেওঁ যদি কলেজতে নপঢ়ে তেন্তে আমি স্কুটী কেনেকৈ দিম। চৰকাৰ সাধাৰণ মানুহৰ কৰেৰে চলে বুলি যুক্তি দি মুখ্যমন্ত্ৰীয়ে কয় যে যদি কোনোবাই এটা বছৰ কোচিং কৰিব পাৰে তেন্তে এখন স্কুটী কিয় লোভ কৰিব লাগে। নিৰ্ধাৰিত নম্বৰ লাভ কৰাৰ পাছতো দ্বাদশ উত্তীৰ্ণ একাংশ ছাত্ৰ-ছাত্ৰীয়ে বাণীকান্ত কাকতি মেধা বঁটাৰ স্কুটী লাভৰ পৰা বঞ্চিত হৈছিল। কিয়নো বাণীকান্ত কাকতি মেধা বঁটাৰ স্কুটী লাভ কৰিব লাগিলে কলেজত নামভৰ্তি কৰি পঢ়ি থকাটো জৰুৰী কৰিছিল চৰকাৰে। ইপিনে আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছ দলক তীব্ৰ আক্ৰমণ কৰে। কংগ্ৰেছৰ দিনত চাকৰি পাবলৈ পঢ়া-শুনা কৰিব নালাগিছিল বুলি কৈ কংগ্ৰেছৰ দিনত অসম লোকসেৱা আয়োগৰ অধ্যক্ষ ৰাকেশ পালৰ নাম লৈ কয় যে ৰাকেশ পাল নামৰ এটা ডাঙৰ অজগৰ আছিল। অজগৰকক চিৰিয়াখানাত সোমাই থৈছো। আমি নিকাভাৱে চাকৰি দিছো। টকা নিদিয়াকৈ এতিয়া মেধাৱীসকল উত্তীৰ্ণ হৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজীৱ ভৱনত সম্পন্ন প্ৰদেশ

কৰা হৈছে বুলি আজি সভাপতি ভুপেন বৰাই ঘোষণা কৰে। বৰাই কয় যে বিভিন্ন জাতি-জনগোষ্ঠীৰ প্ৰতিনিধিক অন্তৰ্ভুক্ত কৰিবৰ বাবে জিলা কংগ্ৰেছৰ সভাপতিসকলৰ তালিকাৰ ব্যাপক ৰদ-বদল হ'ব। বৈঠকৰ সিদ্ধান্ত সন্দৰ্ভত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই আজি এক বিবৃতিযোগে জনোৱা মতে, পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতিৰ পৰ্যালোচনা আৰু দলৰ সাংগঠনিক স্থিতি শক্তিশালী কৰাৰ মূল বিষয় দুটা লৈ প্ৰায় ছঘণ্টা ধৰি এই বৈঠকখন অনুষ্ঠিত হয়। এই বৈঠকত জিলাভিত্তিক ৰাজনৈতিক পৰিক্ৰমা সমিতি গঠনৰ এক সিদ্ধান্ত লোৱা হয় আৰু এসপ্তাহৰ ভিতৰত এই সমিতিসমূহ গঠন কৰি জিলাসমূহে দলৰ সাংগঠনিক তৎপৰতাৰ প্ৰতিবেদন দাখিল কৰিব লাগিব। বিশেষকৈ ডিলিমিটেশ্যনৰ পিছত নতুনকৈ সৃষ্টি হোৱা ব্লকসমূহৰ সভাপতি নিযুক্তিৰ বিষয়টো জিলা ৰাজনৈতিক পৰিক্ৰমা সমিতিয়ে সিদ্ধান্ত গ্ৰহণ কৰি ৰাজ্যিক সমিতিলৈ প্ৰেৰণ কৰিব। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি ভূপেন কুমাৰ বৰাই আজি ৰাজনৈতিক পৰিক্ৰমা সমিতিৰ ছঘণ্টা যোৰা বৈঠকৰ অন্তত সিদ্ধান্তসমূহ ৰাজহুৱা কৰি কয় যে নতুনকৈ যিসমূহ ব্লকত সভাপতি নিযুক্তি দিয়া হ'ব তেওঁলোকৰ বয়স ৫০ বছৰৰ কম হ'ব লাগিব। অৱশ্যে ইতিমধ্যে সভাপতি পদত উপবিষ্ট হৈ থকা ৫০ উৰ্ধৰ লোকসকলৰ সভাপতি পদ বাহাল থাকিব। পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতি নিৰীক্ষণ কৰিবলৈ সাংসদ ৰকিবুল হুছেইন, প্ৰাক্তন সাংসদ ৰিপুণ বৰা আৰু দলৰ জ্যেষ্ঠ নেত্ৰী প্ৰণতি ফুকনক লৈ এখন সমিতি গঠন কৰি দিয়া হয়। এই সমিতিখনত সমন্বয়ক হিচাপে সাধাৰণ সম্পাদক সঞ্জু বৰুৱাক দায়িত্ব দিয়া হৈছে। সভাপতি বৰাই লগতে কয় যে পঞ্চায়ত নিৰ্বাচনত প্ৰাৰ্থী সন্দৰ্ভত দলৰ কোনো নেতাই পৰামৰ্শ আগবঢ়ালে সেয়া লিখিত ৰূপত দিব লাগিব আৰু প্ৰাৰ্থীজনৰ হৰা-জিকাৰ দায়িত্বও পৰামৰ্শদাতাই গ্ৰহণ কৰিব লাগিব। ইফালে, পঞ্চায়ত নিৰ্বাচনৰ লগতে স্বায়ত্ব শাসিত পৰিষদৰ নিৰ্বাচনৰ ক্ষেত্ৰত দলৰ জিলা পৰ্যায়ত বিজেপি বিৰোধী আৰু কংগ্ৰেছৰ সমভাৱাপন্ন দলৰ লগত আলোচনা কৰি প্ৰাৰ্থী আগবঢ়াব পাৰিব। অৰ্থাৎ জিলা পৰ্যায়ত আন দলৰ লগত ৰাজনৈতিক মিত্ৰতা কৰিব পাৰিব। অৱশ্যে পঞ্চায়ত পৰ্যায়ত এই বিষয়টোত কিছু সংখ্যাগত জটিলতা আছে। বৰাই লগতে কয় যে জিলা সভাপতিৰ ক্ষেত্ৰতো দলে কেতবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিব। কেতবোৰ জিলা সভাপতি সালসলনি কৰা হ'ব বুলি উল্লেখ কৰি সভাপতিজনে কয় যে চাহ জনগোষ্ঠী, অন্যান্য জনগোষ্ঠীয় কংগ্ৰেছ নেতাসকলৰ জিলাভিত্তিত প্ৰতিনিধি সুনিশ্চিত কৰিবলৈ সকলো জনগোষ্ঠীৰ লোকসকলক সামৰি জিলাৰ সভাপতিৰ দায়িত্ব দিয়া বিষয়টোক অগ্ৰাধিকাৰ দিয়া হ'ব। লগতে কংগ্ৰেছে ইতিমধ্যে গঠন কৰা ডিজিটেল বাহিনীৰ জৰিয়তে সদস্য ভৰ্তি বিষয়টো আজি বৈঠকত চূড়ান্ত ৰূপ দিয়া হয়। এই ক্ষেত্ৰত নিখিল ভাৰত কংগ্ৰেছৰ অনুমতিৰ বাবে দলৰ অসমৰ দায়িত্বত থকা সাধাৰণ সম্পাদক জিতেন্দ্ৰ সিঙক দায়িত্ব দিয়া হৈছে। বৰাই উল্লেখ কৰে যে প্ৰদেশ কংগ্ৰেছৰ ৰাজনৈতিক পৰিক্ৰমা কমিটিখনে ২০২৫ৰ জানুৱাৰী মাহৰ ভিতৰত দলৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে আৰু বিৰোধী দলৰ নেতা ৰাহুল গান্ধীক সাক্ষাৎ কৰি ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনত দলৰ ৰণকৌশল সন্দৰ্ভত আলোচনা কৰিব। আজিৰ ৰাজনৈতিক পৰিক্ৰমা সমিতিৰ বৈঠকত নিখিল ভাৰত কংগ্ৰেছৰ সাধাৰণ সম্পাদক তথা অসমৰ তত্বাৱধায়ক জিতেন্দ্ৰ সিং, সাধাৰণ সম্পাদক পৃথ্বিৰাজ সাথে, মনোজ চৌহান, বিকাশ উপাধ্যায় আৰু ১৫ জন স্থায়ী সদস্যৰ লগতে বিশেষ আৰু অতিৰিক্ত আমন্ত্ৰিত ৭জন সদস্যৰ উপৰিও মহিলা কংগ্ৰেছৰ নেতৃত্ব, সেৱা দল, যুৱ কংগ্ৰেছ আৰু এনএছইউআইৰ সভাপতিসকল উপস্থিত থাকে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# দক্ষ হিমন্তৰ শাসনতো ৰক্তহীন ৰাজ্যৰ

বিশ্ব শৰ্মা আৰু তেওঁৰ সতীৰ্থ মন্ত্ৰীসকলৰ মুখত চূণ সানিছে স্বয়ং কেন্দ্ৰীয় চৰকাৰৰ তথ্যই। লোকসভাত কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়ে দাখিল কৰা তথ্য অনুযায়ী অসমত ২০১৫-১৬ বৰ্ষতকৈ ২০১৯-২১ বৰ্ষত মহিলা আৰু শিশুৰ ৰক্তহীনতা প্ৰায় দুগুণ বৃদ্ধি পাইছে। মানুহক বিনামূলীয়া চাউল খুৱাই হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ চৰকাৰে ৰক্তহীনতা যে দূৰ কৰিব নোৱাৰে লোকসভাৰ তথ্যত সেই কথা প্ৰমাণিত হৈছে। পুষ্টিকৰ খাদ্যৰ আকাশলংঘী দামৰ বাবেই অসমৰ গ্ৰাম্যঞ্চলৰ গৰিষ্ঠসংখ্যক লোকে এতিয়া চৰকাৰে বিতৰণ কৰা বিনামূলীয়া চাউলৰ ভাত খাই দিন কটাবলগীয়া হৈছে। স্মাৰ্ট মিটাৰৰ যোগেদি চলি থকা লুণ্ঠনৰ মাজতে ইন্ধনজাত সামগ্ৰীৰ উৰ্ধমুখী দামবৃদ্ধিয়ে সাধাৰণ ৰাইজক পুষ্টিকৰ খাদ্য গ্ৰহণ কৰাৰ পৰা বাৰণ কৰিছে। এনে পৰিপ্ৰেক্ষিততে এতিয়া মহিলা আৰু শিশুৰ ৰক্তহীনতাৰ সমস্যা ভয়াৱহ হৈ পৰিছে। বিজেপিৰ নেতা-কৰ্মীয়ে উন্নয়নৰ ঢাক-ঢোল বজাই থকাৰ সময়তে কেন্দ্ৰীয় চৰকাৰে সদনত দিয়া এক তথ্যত ৰাজ্যখনত নাৰী আৰু শিশুৰ স্বাস্থ্যৰ এই ভয়ংকৰ অৱস্থাৰ কথা প্ৰকাশ পাইছে। লোকসভাত কেন্দ্ৰীয় মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰালয়ে প্ৰকাশ কৰা তথ্য মতে, অসমত মহিলা আৰু শিশুৰ ৰক্তহীনতা আৰু পুষ্টিহীনতা অতি উদ্বেগজনক হৈ পৰিছে। অসমত নিতৌ ৰক্তহীনতা আৰু পুষ্টিহীনতাত ভোগা মহিলা আৰু শিশুৰ সংখ্যা বৃদ্ধি পাইছে। ৰক্তহীনতা আৰু পুষ্টিহীনতাত ভোগা মহিলা আৰু শিশুৰ সংখ্যাৰ ফালৰ পৰা দেশৰ ভিতৰতে অসম চতুৰ্থ স্থানত আছে। কংগ্ৰেছৰ সাংসদ ইমৰান মাছুদে সোধা এক প্ৰশ্নৰ উত্তৰ দি মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰালয়ে দাখিল কৰা তথ্যত এই উদ্বেগজনক খবৰ পোহৰলৈ আহে। ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য সমীক্ষা মতে, ২০১৫-১৬ চনত অসমত ১৫-৪৯ বছৰৰ ভিতৰৰ ৰক্তহীনতাত ভোগা মহিলাৰ সংখ্যা ৪৬ শতাংশ আছিল। ২০১৯-২১ চনত ১৫-৪৯ বছৰৰ ভিতৰৰ ৰক্তহীনতাত ভোগা মহিলাৰ সংখ্যা বৃদ্ধি হৈ হয়গৈ ৬৫.৯ শতাংশ। ৰক্তহীনতা আৰু পুষ্টিহীনতাত ভোগা মহিলাৰ সংখ্যা সমগ্ৰ দেশতে দ্ৰুত গতিত বৃদ্ধি হৈছে। ৰক্তহীনতা আৰু পুষ্টিহীনতাত ৯২.৮ শতাংশ মহিলা আক্ৰান্ত হোৱাত প্ৰথম স্থানত আছে লাডাখ। ৰক্তহীনতা আৰু পুষ্টিহীনতাত ৭১. ৪ শতাংশ মহিলা আক্ৰান্ত হোৱাত দ্বিতীয় স্থানত আছে পশ্চিম বংগ। ৰক্তহীনতা আৰু পুষ্টিহীনতাত ৬৭.২ শতাংশ মহিলা আক্ৰান্ত হোৱাত তৃতীয় স্থানত আছে ত্ৰিপুৰা। ৰক্তহীনতা আৰু পুষ্টিহীনতাত ৬৫.৯ শতাংশ মহিলা আক্ৰান্ত হোৱাত চতুৰ্থ স্থানত আছে অসম। ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য সমীক্ষা মতে, ২০১৫-১৬ চনত অসমত ৬ মাহৰ পৰা ৫৯ মাহৰ ভিতৰত ৰক্তহীনতাত ভোগা শিশুৰ সংখ্যা হৈছে ৩৫.৭ শতাংশ। ২০১৯-২১ চনত ৬ মাহৰ পৰা ৫৯ মাহৰ ভিতৰত ৰক্তহীনতাত ভোগা শিশুৰ সংখ্যা বৃদ্ধি পাই হয়গৈ ৬৮.৪ শতাংশ। নৱজাতকৰ মৃত্যুৰ হাৰো অসমত বেছি। মহিলা অৰ্থাৎ মাতৃৰ ৰক্তহীনতাৰ বাবেই নৱজাতকৰ মৃত্যুৰ হাৰো অসমত বেছি হোৱাৰ অন্যতম কাৰণ হিচাপে চিহ্নিত কৰা হৈছে। অসমৰ স্বাস্থ্য বিভাগৰ তথ্য মতে, অসমত পাঁচ বছৰৰ তলৰ বয়সৰ হিচাপতকৈ কম ওজন থকা শিশুৰ হাৰ ২৯.৮ শতাংশ। তথ্য মতে, অসমত নৱজাতকৰ মৃত্যুৰ হাৰ ৪৮ শতাংশ। ৰাষ্ট্ৰীয় পৰ্যায়ত এই হাৰ ৪০ শতাংশ। চৰকাৰী আঁচনি, স্বাস্থ্য খণ্ডৰ উন্নয়নৰ বাবে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে প্ৰতিবছৰে বিশাল পৰিমাণৰ পুঁজি ব্যয় কৰি আহিছে যদিও বাস্তৱত ৰাজ্যখনত ইয়াৰ বিপৰীত ছবি এখনহে দেখিবলৈ পোৱা গৈছে। ৰাজ্যত ৰক্তহীনতা আৰু পুষ্টিহীনতাত ভোগা শিশু মহিলাৰ সংখ্যা হ্ৰাস কৰাৰ বাবে পোষণ ২.০ আঁচনিৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে অসমত প্ৰতিবছৰে বিশাল পৰিমাণৰ পুঁজি যোগান ধৰি আহিছে যদিও অসমত ৰক্তহীনতা আৰু পুষ্টিহীনতাত ভোগা শিশু-মহিলাৰ সংখ্যা হ্ৰাস হোৱা নাই, বৰং বৃদ্ধি পাইছে। কেন্দ্ৰীয় মন্ত্ৰী সাবিত্ৰী ঠাকুৰে লোকসভাত দিয়া তথ্য অনুসৰি ২০২৩-২০২৪ চনত পোষণ ২.০ আঁচনিৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে অসমত ২২৩৩.৩১ কোটি টকা মোকলাই দিছে। তথ্য মতে উত্তৰ প্ৰদেশৰ পিছতে অসমত পোষণ ২.০ আঁচনিৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে সৰ্বাধিক ধন মোকলাই দিছে। ২০২৩-২০২৪ চনত পোষণ ২.০ আঁচনিৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে উত্তৰ প্ৰদেশক ২৬৬৮.৬৯ কোটি টকা মোকলাই দিছে। উল্লেখ্য যে, বিগত সময়ছোৱাত অসম চৰকাৰে ৰাজ্যখনত মহিলা আৰু শিশুৰ স্বাস্থ্যৰ যথেষ্ট উন্নতি হোৱা বুলি দাবী কৰি আহিছিল যদিও আজিৰ তথ্যই বিপৰীত ছবিহে তুলি ধৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আৰক্ষীক মহতিয়াই নিয়া চালকক

নহয় এইখন অসমত। অসমত ড্ৰাগছ বিৰোধী অভিযান চলাই ৰাজ্যখনক ড্ৰাগছ মুক্ত কৰাৰ প্ৰয়াস কৰা আৰক্ষী এতিয়া ড্ৰাগছ মাফিয়াৰ টাৰ্গেট হৈ পৰিছে। বিশেষকৈ ড্ৰাগছ সৰবৰাহৰ কৰিডৰ হৈ পৰা বৰাকত ড্ৰাগছ মাফিয়াই আৰক্ষীক টাৰ্গেট কৰি লৈছে। বৰাকৰ শ্ৰীভূমি জিলাত উজ্জ্বল বৰা নামৰ অসম আৰক্ষীৰ কনিষ্টবলজনক ট্ৰাকেৰে খুন্দিয়াই হত্যা কৰা হৈছে। এই ঘটনাই সমগ্ৰ অসম জোকাৰি গৈছে। কৰ্মৰত অৱস্থাত যোৰহাট জিলাৰ চৰাইবাহী চুতীয়াকাৰিৰ উজ্জ্বল বৰাক বৰাকৰ শ্ৰীভূমিত ট্ৰাকেৰে খুন্দিয়াই হত্যা কৰা হয়। শ্ৰীভূমিত ড্ৰাগছ সৰবৰাহকাৰী মাফিয়াই ট্ৰাকেৰে মহতিয়াই নিয়াত শনিবাৰে মৃত্যুক আকোৱালি লয় উজ্জ্বল বৰাই। মৃতদেহ আজি বৰাকৰ শ্ৰীভূমি জিলাৰ পৰা চুতীয়াকাৰি গাঁৱলৈ অনা হয়। মৃতদেহ আহি পোৱাৰ পিছতে এক শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। বৰাৰ ঘৰ মানুহেৰে ভৰি পৰে। স্থানীয় শ্মশানত কেইবা শ লোকৰ উপস্থিতিত আজি কনিষ্টবলজনৰ শেষকৃত্য সম্পন্ন কৰা হয়। যোৰহাট জিলাৰ আৰক্ষী অধীক্ষকে শেষ চালামেৰে বিদায় জনাই উজ্জ্বলক। উজ্জ্বল আৰু ভাতৃ সৰু থাকোতেই পিতৃক হেৰুৱাইছিল। পিতৃৰ মৃত্যুৰ পাছত মাতৃয়ে দিন হাজিৰা কৰি অতি কষ্টৰে দুই পুত্ৰক ডাঙৰ-দীঘল কৰিছিল। মাতৃয়ে কষ্ট কৰি ঘৰ চলোৱাৰ সময়তে দুই পুত্ৰই পৰীক্ষাৰ প্ৰস্তুতি চলাই এজনে অসম আৰক্ষীত, এজনে সেনাত চাকৰি পাইছিল। ঘৰখনৰ পৰিস্থিতি ভালৰ ফালে আহিছিল যদিও হঠাতে এই অঘটন ঘটাত ঘৰখনত হাহাকাৰ লাগিছে। গাঁওবাসীয়ে উল্লেখ কৰা মতে, পিতৃহাৰা উজ্জ্বল আৰু ভাতৃ প্ৰাঞ্জলে অশেষ কষ্টৰে পঢ়া-শুনা কৰিছিল। পিতৃৰ মৃত্যুৰ পিছত কষ্টৰে ডাঙৰ-দীঘল হোৱা উজ্জ্বলে ২০২২ চনত অসম আৰক্ষীত যোগদান কৰিছিল। ভাতৃয়ে সেনা বাহিনীত যোগদান কৰিছিল। আজি উজ্জ্বলৰ নশ্বৰ দেহ ঘৰ পোৱাৰ পিছতে এগৰাকী জ্যেষ্ঠ নাগৰিকে কয় যে উজ্জ্বলে সময় পালে ল'ৰা-ছোৱালীক প্ৰশিক্ষণ দিছিল। যাতে অঞ্চলটোৰ ল'ৰা-ছোৱালীয়ে সেনা, চিআৰপিএফ আৰু পুলিচত যাব পাৰে। চকুলো টুকি লোকজনে কয় যে সি বৰ ভাল ল'ৰা আছিল। সমাজৰ কাম থাকিলে আগতে ওলাই আহিছিল। আমি উজ্জ্বলৰ সৈতে এনে হ'ব বুলি ভবাই নাছিলো। আন এজন লোকে কয় যে দুই বছৰ আগতে চাকৰিত সোমাই ঘৰ এটা বনাবলৈ আৰম্ভ কৰিছিল। ঘৰটো সম্পূৰ্ণ নহলেই। তাৰ পূৰ্বে তাক মাৰি পেলোৱা হ'ল। ইপিনে শনিবাৰে নিশা উজ্জ্বলক মহতিয়াই নিয়া ঠাইতে চালকজনক এনকাউণ্টাৰ কৰে শ্ৰীভূমি আৰক্ষীয়ে। আৰক্ষীয়ে ঘটনাস্থলীলৈ নিছিল যদিও ট্ৰাকচালক অভিজিত শব্দকাৰ গুলীবিদ্ধ হয়। অসম-ত্ৰিপুৰা ঘাইপথৰ পাণহাটীত চালক অভিজিত শব্দকাৰক নি দুৰ্ঘটনা সংঘটিত এলেকা পৰ্যবেক্ষণ কৰে। তেনে সময়তে চিঞৰ-বাখৰ আৰম্ভ হয়। পলাল, পলাল বুলি চিঞৰ বাখৰ লগাৰ সময়তে গুলীচালনা কৰে আৰক্ষীয়ে। কিন্তু অলপ পিছতে গম পোৱা যায় যে ট্ৰাকচালক অভিজিত গুলীবিদ্ধ হৈছে। দুৰ্ঘটনা সংঘটিত এলেকালৈ নিয়াৰ সময়তে হাতকেৰেয়া লগাই থোৱা অভিজিতে আৰক্ষীৰ জিম্মাৰ পৰা পলায়নৰ প্ৰয়াস কৰাৰ অভিযোগত গুলীচালনা কৰা বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে বাৰে বাৰে ৰখিবলৈ দিছিল যদিও নৰখাত গুলীচালনা কৰাত বাওঁ ভৰিত গুলী লাগি ঢলি পৰে চালক অভিজিত। গুলীবিদ্ধ অভিজিতক হাস্পতালত ভৰ্তি কৰোৱা হয়। উল্লেখ্য যে, শনিবাৰে পুৱতি নিশা শ্ৰীভূমি আৰক্ষীয়ে এক গোপন খবৰ লাভ কৰিছিল। অসম-ত্ৰিপুৰা সংযোগী ঘাইপথেৰে ট্ৰাকত নিচাযুক্ত সামগ্ৰী কঢ়িয়াই অনাৰ খবৰ লাভ কৰিছিল। পুৱতি নিশা আৰক্ষীৰ দলে নাকা চেকিং আৰম্ভ কৰে। আৰক্ষীৰ দলটোত আছিল কনিষ্টবল উজ্জ্বল বৰা। পুৱতি নিশা ত্ৰিপুৰা দিশৰ পৰা এখন ট্ৰাক অহা প্ৰত্যক্ষ কৰিছিল। লগে লগে আৰক্ষীৰ দলটোৱে ট্ৰাকখন ৰখাবলৈ সংকেত দিয়ে। আৰক্ষীৰ সংকেত প্ৰত্যক্ষ কৰি ট্ৰাকচালকে গতি বৃদ্ধি কৰে। আৰক্ষীয়ে পথৰ ওপৰলৈ আহি ট্ৰাকখন ৰখাবলৈ প্ৰয়াস কৰে যদিও উজ্জ্বল বৰাক মহতিয়াই নিয়ে। বহু পথ মহতিয়াই নিয়াত শৰীৰ ক্ষত-বিক্ষত হৈ পৰে। লগে লগে স্থানীয় হাস্পতালত ভৰ্তি কৰা হয় যদিও বৰাই শেষ নিশ্বাস ত্যাগ কৰে। ইপিনে আৰক্ষীৰ দলৰ একাংশ আৰক্ষীয়ে লগে লগে সকলো আৰক্ষী থানালৈ এলাৰ্ট জাৰি কৰি ট্ৰাকখন অনুসৰণ কৰে। প্ৰায় ৩০ কিলোমিটাৰ এলেকা খেদি খেদি গৈ ট্ৰাকখন ধৰিবলৈ সক্ষম হয়। ট্ৰাকখনৰ চালক অভিজিত শব্দকাৰ, গিয়াছ উদ্দিনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ট্ৰাকখনত ৪ কোটি টকাৰ ২০ হাজাৰ য়াবা টেবলেট উদ্ধাৰ হয়। ট্ৰাকখন খেদি যোৱাৰ সময়ত ৰাতাবাৰী আৰক্ষীৰ বাহন দুৰ্ঘটনাত পতিত হৈও আহত হয় আৰক্ষী। শ্ৰীভূমিৰ পাণহাটীত সংঘটিত এই ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

# সংঘাত অৱসানৰ চেষ্টা! অখিল গগৈক জ্যেষ্ঠ ভাতৃ আখ্যা দিলে লুৰীণজ্যোতিয়ে

**ই-সংবাদ, ১৫ ডিচেম্বৰঃ** ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে আৰু অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈৰ মাজত বাকযুদ্ধ অব্যাহত থকাৰ সময়তে এইবাৰ অখিল গগৈক জ্যেষ্ঠ ভাতৃ আখ্যা দিছে লুৰীণজ্যোতি গগৈয়ে। ৰাইজৰ দল আৰু অসম জাতীয় পৰিষদ একত্ৰিত কৰিবলৈ লুৰীণজ্যোতি গগৈয়ে অস্বীকাৰ কৰাৰ পিছতে অখিল গগৈয়ে লুৰীণজ্যোতি গগৈয়ে সমালোচনা কৰিছিল যদিও আজি সংবাদমাধ্যমৰ সন্মুখীন হৈ অখিল গগৈক জ্যেষ্ঠ ভাতৃ আৰু মই যুক্তিপূৰ্ণ কথাকে কৈছিলো বুলি কয় লুৰীণে। আনহাতে লুৰীণজ্যোতি গগৈয়ে কয় যে অখিল গগৈ মোৰ জ্যেষ্ঠ ভাতৃৰ দৰে। মই যি কথা কৈছো সেই কথা অখিল গগৈয়ে গম পাইছে। ইপিনে বিজেপিয়ে দুয়োটা দলক লগ লগাবলৈ উৎপাত কৰি থকা বুলি দাবী কৰিছে লুৰীণে। দিল্লীত সাংসদ দিলীপ শইকীয়াই আমাৰ দুয়োটা দলক লগ লাগিব লাগে বুলি জোৰ দিছে। বিজেপিয়ে দুয়োটা দলক লগ লাগিবলৈ জোৰ দিছে। বিজেপিয়ে বেছি উৎসাহী দল দুটাক লগ লগাবলৈ। বাকীবোৰ ইমান উৎসাহী হোৱা নাই। বিজেপিয়ে ইমান আগভাগ লৈছে। সেয়েহে আমি সকলোবোৰ চালি-জাৰি চাই সিদ্ধান্ত ল'ব লাগিব। কিন্তু মৌলিক কথাটো হ'ল এয়াই যে দুটা সুকীয়া আদৰ্শ লগ হোৱাটো সহজ নহয়। আমি অগপ গঠনৰ পিছতে ন-অগপ, অগপ প্ৰতিগতিশীল আদি দেখিছে। অখিল গগৈৰ সংগ্ৰামখনৰ সৈতে আমি আছো, ভোট কেতিয়াও ভাঙিব নিদিও। একেলগে থিয় হৈছো। একেলগ হোৱাত কাৰিকৰীগত আৰু আদৰ্শগত সমস্যা আছে। লগতে মিডিয়াৰ জড়িয়তে আহ্বান জনাই লুৰীণজ্যোতি গগৈয়ে কয় যে অখিল গগৈ ডাঙৰীয়াক মই অনুগ্ৰহ কৰিছো আপুনি কথাটো বুজক। আপুনি আমাতকৈ যথেষ্ট জ্যেষ্ঠ। কথাটো আপুনি বুজি পাওক। বিজ্ঞ মানুহ। মোক ভাই বুলি ভাবে। মই তেওঁক নিজৰ ককাই বুলি ভাবো। আমি তেওঁলোকে কোৱা কথাটো আন্তৰিকতাৰে বিবেচনা কৰিছো। তেওঁ যাতে আমি কোৱা কথাটো আন্তৰিকতাৰে বুজে। যেনেদৰে চিপিআইএম আৰু চিপিআইএমএল এক হ'ব নোৱাৰে। তেনেকৈ আমাৰো সমস্যা আছে। অখিল গগৈয়ে নিজেই কৈছে যে তেওঁ মাৰ্ক্সবাদী। আমিটো জাতীয়তাবাদী। অসমৰ আন্দোলনৰ সময়ত জাতীয়তাবাদীৰ বাওপন্থী মানুহৰ সৈতে এটা সংঘাত আছিল আৰু থাকিব। কিন্তু বিজেপিক হৰুৱাবলৈহে আমি সকলোৱে একেলগে থিয় দিছো। একত্ৰীকৰণৰ প্ৰস্তাৱ নস্যাত তকি ৰাইজৰ দল মাক্সবাদী আৰু অসম জাতীয় পৰিষদক জাতীয়তাবাদী আখ্যা দি দুয়োটা দলৰ আদৰ্শ বেলেগ হোৱাৰ বাবে কেতিয়াও মিল হ'ব নোৱাৰে বুলি কৈছিল লুৰীণজ্যোতি গগৈয়ে। লুৰীণজ্যোতি গগৈৰ মন্তব্যৰ প্ৰত্যুত্তৰ দি অখিল গগৈয়ে লুৰীণৰ দৃষ্টিভংগী ভুল বুলি কয়। অখিল গগৈয়ে কয় যে অসম জাতীয় পৰিষদৰ সভাপতিয়ে কৈ দিছে একত্ৰিত নকৰো। কিন্তু ৰাইজে আমাক কৈ থাকে দুয়োটা দলে একত্ৰিকৰণ হ'ব লাগে। অসম জাতীয় পৰিষদে ৰিজেক্ট কৰিছে। সেয়া হৈছে ইতিহাস। কিন্তু লুৰীণজ্যোতি গগৈয়ে কি কৈছে সেইটো আমাৰ বাবে গুৰুত্বপূৰ্ণ নহয়। লুৰীণজ্যোতি গগৈৰ কিবা এটা অজুহাত বা কাৰণৰ প্ৰয়োজন হৈ পৰিছে। সেই সম্পৰ্কত আমাৰ একো ক'বলগীয়া নাই।

## মাতৃভাষাত অধ্যয়নে বৌদ্ধিক উৎকৰ্ষতা বৃদ্ধিত সহায় কৰেঃ ৰাজ্যপাল ৰমেন ডেকা

# ৰাইদঙীয়াৰ উদয় চন্দ্ৰ শইকীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠান



**ই-সংবাদ, বেবেজীয়া, ১৫ ডিচেম্বৰঃ** নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত ৰাইদঙীয়াৰ উদয় চন্দ্ৰ শইকীয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ বছৰযোৰাকৈ আয়োজিত সোণালী জয়ন্তী উৎসৱৰ সামৰণি অনুষ্ঠানৰ অন্তিম দিনা উপস্থিতি থাকে চত্তীশগড়ৰ ৰাজ্যপাল ৰমেন ডেকা। ৰাজ্যপাল গৰাকীয়ে বিয়লি প্ৰাক্তন সাংসদ বিষ্ণু প্ৰসাদে তেওঁৰ পিতৃ তথা বিদ্যালয়ৰ প্ৰতিষ্ঠাতা উদয় চন্দ্ৰ শইকীয়াৰ স্মৃতিত নিৰ্মাণ কৰি দিয়া আবক্ষ প্ৰতিমূৰ্তি আনুষ্ঠানিকভাবে উন্মোচন কৰে। এই উপলক্ষে অনুষ্ঠিত সভাত ৰাজ্যপাল ৰমেন ডেকাই সোনাইপৰীয়া সভ্যতাৰ বোকোচাত ১৯৭৪ চনতে প্ৰতিষ্ঠা লাভ কৰা শিক্ষানুষ্ঠানখনৰ সোনালী জয়ন্তী উৎসৱত ভাগ ল'বলৈ পোৱাত আনন্দিত হোৱা বুলি মন্তব্য কৰি কয় যে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ সম্বন্ধত এতিয়া যতি পৰিছে। আজিকালি বাতৰিত শিক্ষকৰ দ্বাৰা ছাত্ৰীৰ ধৰ্ষণৰ বাতৰি দেখিলে ক্ষোভিত হওঁ। শিক্ষকতাৰ দৰে পবিত্ৰ বৃত্তিত জড়িত থকা শিক্ষকসকলৰ চাৰিত্ৰিক লক্ষণ এনে হ'ব নালাগে। এই সন্দৰ্ভত তেওঁ মহাপুৰুষ শংকৰদেৱৰ শিক্ষাগুৰু মহেন্দ্ৰ কন্দলি আৰু ভিমৰাও আম্বেদকাৰক সমাজত প্ৰতিষ্ঠিত কৰোৱা শিক্ষকসকলৰ উদাহৰণ দাঙি ধৰি শিক্ষাদান কৰাৰ উপৰিও শিক্ষকে ছাত্ৰ-ছাত্ৰীক সাহস দিব লাগে বুলি কয়। মাতৃভাষাত অধ্যয়ন কৰিলে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক উৎকৰ্ষতা বৃদ্ধি পায় বুলি উল্লেখ কৰি ৰাজ্যপালগৰাকীয়ে কয় যে, আমাৰ গোটেই জীৱনটো ছাত্ৰৰ দৰে। ওৰে জীৱন আমি শিকি থাকিব লাগিব। শিকিবৰ বাবে অনুশীলন লাগিব। আচলতে জীৱনটো এটা জাৰ্নি। এইটো পুৰ কৰিবলৈ উইল আৰু এবিলিটি লাগিব। মাতৃভাষাত অধ্যয়ন কৰাসকলে হীনমন্যতাত ভুগে। সেয়া হ'ব নালাগে। ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক উৎকৰ্ষতা বৃদ্ধিত সহায় কৰে মাতৃভাষাত কৰা অধ্যয়নে। মাতৃভাষাত কথা পাতিলে সেয়া হৃদয়ত সোমাই। ছাত্ৰ-ছাত্ৰীসকলৰ এইক্ষেত্ৰত দায়বদ্ধতা আৰু শ্ৰদ্ধা থাকিব লাগিব। তেওঁ সমাজত এতিয়া অৱক্ষয় হৈছে বুলি মন্তব্য কৰি কয় যে, সমাজৰ কিছুমান অলিখিত নিয়ম মানি নচলাৰ বাবেই যুৱ সমাজ বিপথগামী হৈছে। পুৰণি নীতি-নিয়মক আমি ধৰি ৰাখিব পাৰিব লাগিব। ছাত্ৰ-ছাত্ৰীৰ বাবে অহাকালি বহুত আহিব। কালিটোহে নাহে। আজিৰ কৰণীয়টো সঠিকভাবে কৰিলেহে সফলতা আহিব। পিছুয়াই থাকিব নালাগে। সময়ৰ কাম সময়ত নকৰাৰ বাবেই অসমীয়া এলেহুৱা জাতিত পৰিণত হৈছে। আমি অতীতক ৰোমন্থন কৰি থকাৰ প্ৰয়োজন নাই। ভৱিষ্যতৰ কথা চিন্তা কৰিব লাগিব। আমি কি কৰিম তাক চিন্তা কৰিব লাগিব। যি কৰো সেয়া শৃংখলাবদ্ধ হ'ব লাগে। আনক কপি কৰাটো বাদ দি নিজৰ মৌলিক চিন্তা-ধাৰাৰে আগবাঢ়িব লাগে। ক্লাছত যি শিকো তাক পুনৰ অনুশীলন কৰিব লাগে। তদুপৰি মন শান্ত থাকিলেহে কোনো সিদ্ধান্ত ল'ব লাগে। সঠিক পথ পাবলৈ হ'লে শান্ত মনত চিন্তন কৰিব লাগে। মনটোক কন্ট্ৰোল কৰিব লাগিব। সামৰ্থ্য অনুসৰি আমি চিন্তা কৰিব লাগে। তেতিয়াহে জীৱনত সৌভাগ্য আহিব, সুখ আহিব। উদযাপন সমিতিৰ সভাপতি নৱ কমল ৰাজাই আদৰণি ভাষণ প্ৰদান কৰা আৰু প্ৰধান শিক্ষয়িত্ৰী জ্যোতি ভুঞাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত বিধায়ক ৰূপক শৰ্মা উপস্থিত থাকি প্ৰদান কৰা চমু ভাষণত বৰ্তমান নতুন শিক্ষানীতিত অসম বহুখিনি আগুৱাইছে বুলি বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে শিক্ষাৰ বাবে বহু পদক্ষেপ গ্ৰহন কৰিছে বুলি দোহাৰে। বিদ্যালয়ৰ শিক্ষক গোটৰ সমবেত সংগীতেৰে শুভাৰম্ভ হোৱা সভাত ৰাজ্যপালগৰাকীৰ সহধৰ্মিনীয় ৰাণী ডেকাও উপস্থিত থাকে। ইফালে, পুৱা সোনাই নদী উত্তৰ আঞ্চলিক সৌৰভ শাখা সাহিত্য সভাৰ সভাপতি দিলীপ বৰাৰ দ্বাৰা বৃক্ষৰোপণ কাৰ্যসূচী সমাপনৰ পিছতে উলিওৱা এটি বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাই বৃহত্তৰ ৰাইদঙীয়া অঞ্চল উজ্জ্বলাই তোলে। শোভাযাত্ৰাটি উদ্বোধক কৰে বিশিষ্ট সমাজসেৱক ধীৰসিং পাটৰে। ইয়াৰ মাজতে পুৱাবেলা শিক্ষানুষ্ঠানখনত উপস্থিত হয়হি অসম চৰকাৰৰ জ্যেষ্ঠ মন্ত্ৰী কেশৱ মহন্ত। মন্ত্ৰীগৰাকীকে শিক্ষানুষ্ঠানখনৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি সকলোকে শুভেচ্ছামূলক জ্ঞাপন কৰে। আনহাতে, বিয়লি বহু পলমকৈ উদযাপন সমিতিৰ সভাপতি নৱ কমল ৰাজাৰ পৌৰোহিত্য অনুষ্ঠিত হয় মুকলি সভা আৰু স্মৃতি গ্ৰন্থ উন্মোচনী অনুষ্ঠান। মুকলি সভাত নিদিষ্ট বক্তাৰ ভাষনত মহাবিদ্যালয় অৱসৰী অধ্যাপক মোহনী মোহন ডেকাই কয় যে অসমীয়া মানুহ এতিয়া বেছি উৎসৱমুখী বতাহত মোহাবিষ্ট হৈছে যিটো জাতিটোৰ বাবে শুভ লক্ষণ নহয়। ৰাস উৎসৱ এতিয়াও শেষ হোৱা নাই। কিন্তু ভাৰতবৰ্ষৰ আন আন জাতিসমূহৰ মাজত এনে ধৰণৰ মানসিকতা দেখিবলৈ পোৱা নাযায়। তেওঁলোকে ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় পৰ্যায়ত উচ্চতম আসনত অধিষ্ঠিত হ'ব খোজে। তাৰ বাবে জাতিটোৱে ব্যাপক প্ৰস্তুতি চলায়। তেওঁ অসমীয়া মানুহক কৰ্ম যজ্ঞত ব্ৰতী হ'বলৈ আহ্বান জনায়। কেৱল অৰুণোদয় আৰু বিনামূলীয়া সুবিধাই অসমীয়াক বচাব নোৱাৰে বুলি তেওঁ তাৰ্পয্যপূৰ্ণ বক্তব্য ৰাখে। সভাত স্মৃতি গ্ৰন্থ উন্মোচন কৰি বিশিষ্ট লেখক তথা ৰূপহী মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক ড° ভদ্ৰ কান্ত বৰাই কয় যে গ্ৰন্থতকৈ স্মৃতিগ্ৰন্থৰ প্ৰসাৰ অধিক। স্মৃতি গ্ৰন্থই একোখন ঠাইৰ বহু বিস্তৃত সময়ৰ ইতিহাসক ধৰি ৰাখে। পাৰ হৈ যোৱা সময়বোৰৰ উল্লেখনীয় কথাবোৰ থূপ খাই থাকে স্মৃতিগ্ৰন্থত। উদ্‌যাপন সমিতিৰ সম্পাদক প্ৰমোদ বৰাই আঁত ধৰা মুকলি সভাৰ সভাপতিৰ আসনৰ পৰা নৱকমল ৰাজাই প্ৰয়াত উদয় চন্দ্ৰ শইকীয়া আৰু যিসকল মহান ব্যক্তিৰ কষ্ট তথা ত্যাগৰ বিনিময়ত বিদ্যালয়খনে জন্মলাভ কৰিছিল তেওঁলোককলৈ শ্ৰদ্ধাৰ্ঘ নিবেদন কৰাৰ লগতে বিশিষ্ট সমাজকৰ্মী লাচিত বৰদলৈক সভাপতি, সাহিত্যকৰ্মী কবিন পাটৰক সম্পাদক, যতীন চন্দ্ৰ বৰা আৰু মামনি শইকীয়াক সহযোগী সম্পাদকৰূপে লৈ গঠিত স্মৃতি গ্ৰন্থ সম্পাদনা সমিতিখনৰ কষ্টৰো শলাগ লয়। মুকলি সভাত ধীৰসিং পাটৰ, গিৰীধাৰীলাল আগৰৱালা, কনকৰায় চৌধুৰী, ক্ষিতি বৰা, মহিধৰ বৰা, অতুল কলিতা,,ৰোহিনী বৰা, নৱ কুমাৰ বৰা, কিৰণ কুমাৰ হাজৰিকা, প্ৰবীন কলিতা, ৰিন্টু গোস্বামী, ৰিপুঞ্জয় শইকীয়া, মুনিন্দ্ৰ শইকীয়া, বিপিন কলিতা, তিলক ডেকা, গনেশ মূদৈ, সূৰ্য হাজৰিকা, দীপধৰ বৰা, কল্যাণ কুমাৰ বৰা, জ্যেষ্ঠ সাংবাদিক জয়ন্ত মুদৈ, দিব্যজ্যোতি বৰুৱাকে ধৰি বহুসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# ৰাজীৱ চৌধুৰীক গৰিয়া জাতীয় পৰিষদৰ কেন্দ্ৰীয় প্ৰচাৰ সম্পাদকৰ দায়িত্ব

**ই-সংবাদ, ১৫ ডিচেম্বৰঃ** অসমৰ ঐতিহ্যমণ্ডিত গৰিয়া জনগোষ্ঠীক ঐক্যবদ্ধ কৰি অধিকাৰৰ হকে সংগ্ৰাম কৰাৰ পোষকতা কৰা সদৌ অসম গৰিয়া জাতীয় পৰিষদৰ প্ৰতি জনগোষ্ঠীটোৰ বিভিন্ন নেতৃস্থানীয় ব্যক্তিসকল আকৰ্ষিত হৈ আহিছে। দশকৰ পিছত দশক ধৰি লাঞ্চিত-বঞ্চিত অসমৰ প্ৰান্তে প্ৰান্তে সিঁচৰিত ধৰ্মান্তৰিত খিলঞ্জীয়া ইছলামধৰ্মীসকলক এখন মঞ্চত একত্ৰিত কৰিবলৈ কাম কৰা সদৌ অসম গৰিয়া জাতীয় পৰিষদত ন-ন নেতাই চামিল হৈ আহিছে। উজনি আৰু নামনি অসমত ইতিমধ্যে সাংগঠনিক ভেটি শক্তিশালী কৰিবলৈ সক্ষম হোৱা জনগোষ্ঠীয় সংগঠনটোৱে জনগোষ্ঠীটোৰ হিতৰ বাবে কাম কৰি আহিছে। গৰিয়াৰ হৃতমৰ্যাদা উদ্ধাৰ, শিক্ষা, পৰম্পৰা-সংস্কৃতি ৰক্ষা, ঐতিহাসিক স্থান সংৰক্ষণ কৰা আদিৰ হকে সংগ্ৰাম কৰি অহা সংগঠনটোৱে গুৱাহাটী মহনগৰীত বসবাস কৰি হাজাৰ হাজাৰ গৰিয়াক এখন মঞ্চত একত্ৰিত কৰিবলৈ কাম কৰিবলৈ আৰম্ভ কৰিছে। গুৱাহাটী মহানগৰীৰ পাঞ্জাবাৰী এলেকাৰ সৰবৰহী যুৱক তথা যুৱ সমাজকৰ্মী ৰাজীৱ চৌধুৰীয়ে সদৌ অসম গৰিয়া জাতীয় পৰিষদত চামিল হৈছে। পূৰ্বে সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ গুৱাহাটী মহানগৰ জিলা সমিতিৰ সভাপতি আছিল যদিও স্ব-ইচ্ছাই সংগঠনটো ত্যাগ কৰি ৰাজীৱ চৌধুৰীয়ে সদৌ অসম গৰিয়া জাতীয় পৰিষদত চামিল হৈছে। ইতিমধ্যে ৰাজীৱ চৌধুৰীক কামৰূপ জিলাত কাম কৰিবলৈ আৰম্ভ কৰাৰ সময়তে সদৌ অসম গৰিয়া জাতীয় পৰিষদৰ কেন্দ্ৰীয় সমিতিত কেন্দ্ৰীয় সমিতিত প্ৰচাৰ সম্পাদকৰ দায়িত্ব অৰ্পণ কৰা হৈছে। এতিয়াৰ পৰা কামৰূপ জিলাৰ প্ৰতিনিধি হিচাপে কেন্দ্ৰীয় সমিতিত কাৰ্যনিৰ্বাহ কৰিব ৰাজীৱ চৌধুৰীয়ে। ৰাজবী চৌধুৰীৰ সাংগঠনিক অভিজ্ঞতাৰ প্ৰতি লক্ষ্য লাখি জনগোষ্ঠীৰ হিতৰ বাবে কাম কৰি যাব বুলি আশা কৰিছে সদৌ অসম গৰিয়া জাতীয় পৰিষদৰ কেন্দ্ৰীয় সমিতিয়ে।

# লজ্জানত শিক্ষক সমাজ, ৰাইজেও দিলে উত্তম-মধ্যম

# মৰিগাঁৱত ছাত্ৰীক অশ্লীল ইংগিত দিয়াৰ অভিযোগত জেইললৈ শিক্ষকক

**ই-সংবাদ, মৰিগাঁও, ১৫ ডিচেম্বৰঃ** ভৱিষ্যতৰ নাগৰিক আজিৰ শিশুসকলক পাঠ্যপুথিৰ লগতে নৈতিকতাৰো আদিপাঠ শিকোৱাৰ গধুৰ দায়িত্বত নিয়োজিত মৰিগাঁও জিলাৰ এজন শিক্ষকক আজি নিজ ছাত্ৰীক অশ্লীল ইংগিত দিয়াৰ অভিযোগত জেইল হাজোতলৈ যোৱা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য মতে, জিলাখনৰ বৰচকাবাহা প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক জোৱাহিৰ হুছেইনৰ বিৰুদ্ধে বিদ্যালয়খনৰ এগৰাকী ছাত্ৰীক অশ্লীল ইংগিত দিয়া বুলি ছাত্ৰীগৰাকীয়ে নিজ পৰিয়ালৰ লোকক অৱগত কৰে। এই বিষয়ে জানিব পাৰি ছাত্ৰীগৰাকীৰ পৰিয়ালৰ লোকে স্থানীয় জালুগুটি আৰক্ষী চকীত এক এজাহাৰ দাখিল কৰে। ইফালে আজি দুপৰীয়াৰ ভাগত উক্ত শিক্ষকজনে কোনো কাৰণত বিদ্যালয়লৈ অহা খবৰ বিয়পি পৰাত বহুলোক বিদ্যালয়খনত উপস্থিত হৈ শিক্ষক হুছেইনক উত্তম মধ্যম শোধাই। অৱশ্যে যথাসময়ত আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ গণ প্ৰহাৰৰ পৰা শিক্ষকজনক উদ্ধাৰ কৰি চিকিৎসাৰ ব্যৱস্থা কৰে। পৰৱৰ্তী সময়ত জালুগুটি আৰক্ষী চকীত ঘটনা সম্পৰ্কত পঞ্জীয়ন হোৱা ১৬৭/২০২৪ নম্বৰৰ গোচৰৰ ভিত্তিত আনুষ্ঠানিক গ্ৰেপ্তাৰ প্ৰক্ৰিয়া সম্পন্ন কৰি আদালতত হাজিৰ কৰাত আদালতে এই তথা কথিত শিক্ষা গুৰুজনক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। ইফালে, আজিৰ এই ঘটনাৰ পিছতে জিলাখনত সৃষ্টি হৈছে ব্যাপক প্ৰতিক্ৰিয়াৰ। লগতে এনে ঘটনাই শিক্ষক সমাজকো লজ্জানত কৰাৰ লগতে চিন্তিত কৰা বুলি বিভিন্নজনে মন্তব্য কৰিছে। সমাজে পিতৃ-মাতৃৰ সৈতে সমমৰ্যাদা দিয়া শিক্ষকৰ বিৰুদ্ধেই যদি কন্যা তুল্য ছাত্ৰীক অশ্লীল ইংগিত দিয়াৰ অভিযোগ উত্থাপিত হয়,তেন্তে সমাজ বৰ্তমান কোন দিশে ধাৱমান হৈছে,সেই লৈ স্বাভাৱিকতে সচেতন মহল উদ্বিগ্ন হৈ পৰিছে। উল্লেখ্য যে, কিছুদিন পূৰ্বে জিলাখনৰ আন এখন বিদ্যালয়ৰো প্ৰধান শিক্ষকৰ বিৰুদ্ধে ছাত্ৰীক যৌন নিগ্ৰহৰ অভিযোগ উত্থাপিত হৈছিল।




গুৱাহাটী মধ্য আৰু জালুকবাৰীত ৰেচন কাৰ্ড বিতৰণ কাৰ্যসূচীত মুখ্যমন্ত্ৰী, ফটো দেওবাৰৰ

# ভৃংগেশ্বৰ প্ৰাথমিক বিদ্যালয়ত সুকুমাৰ কলা প্ৰতিযোগিতা

**ই-সংবাদ, গুৱালকুছি, ১৫ ডিচেম্বৰঃ** কামৰূপ জিলাৰ হাজো শিক্ষা খণ্ডৰ অন্তৰ্গত বংশৰ ভৃংগেশ্বৰ প্ৰাথমিক বিদ্যালয়ৰ ২০২৪-২৫ বৰ্ষৰ বাৰ্ষিক বিদ্যালয় সপ্তাহ ৯ ডিচেম্বৰৰ পৰা অনুষ্ঠিত হয়। আজি ১৪ ডিচেম্বৰত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি কন্দৰ্প বৈশ্যৰ সভাপতিত্বত বঁটা বিতৰণী সভাখন অনুষ্ঠিত হয়। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশ কৰা এটি সৰ্বধৰ্ম প্ৰাৰ্থনাৰে সভা আৰম্ভ কৰা হয়। বংশৰ ভৃংগেশ্বৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক ইন্দ্ৰ কান্ত বৈশ্যই আঁত ধৰা সভাখনত আমন্ত্ৰিত অতিথিদ্বয় ৰামদিয়া বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ, সু-সাহিত্যিক ভদ্ৰেশ্বৰ ডেকা আৰু বংশৰ সমল কেন্দ্ৰৰ সমন্বয়ক গীতাঞ্জলি দাসে ছাত্ৰ-ছাত্ৰীৰ উন্নতিৰ হকে বিদ্যালয়খনে লোৱা পদক্ষেপক ভূয়সী প্ৰশাংসা কৰে। কলা, ক্ৰীড়া, সাংস্কৃতিক, সাহিত্যত প্ৰথম, দ্বিতীয়, তৃতীয় স্থান প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক একোখনকৈ মানপত্ৰ, লিখা-পঢ়া সজুঁলিৰে পুৰস্কৃত কৰা হয়।

# হাজোত বিধায়িকা হৰিপ্ৰিয়াৰ উপস্থিতিত নিবনুৱা যুৱক-যুৱতীৰ নিয়োগ সজাগতা সভা

**ই-সংবাদ, হাজো, ১৫ ডিচেম্বৰ :** অসম চৰকাৰৰ দক্ষতা বিকাশ মিচনৰ অধীনত আৰু হাজো সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়াৰ প্ৰত্যক্ষ সহযোগত আজি হাজো আৰু ৰামদিয়াত নিবনুৱা যুৱক-যুৱতী সকলক এশ শতাংশ নিযুক্তিৰ নিশ্চয়তাৰে এক সজাগতা মূলক সভা অনুষ্ঠিত হয়। ৰামদিয়া পুথিভঁৰালত অনুষ্ঠিত প্ৰথম খন সভাত উপস্থিত থাকি বিধায়িকা সুমন হৰিপ্ৰিয়াই কয় দিনক দিনে শিক্ষিত নিবনুৱা যুৱক-যুৱতীৰ সংখ্যা বাঢ়ি গৈ আছে। বহু নিবনুৱা উপযুক্ত প্ৰশিক্ষণৰ অভাৱত উচ্চ শিক্ষা গ্ৰহণ কৰি ঘৰতে থাকিব লগীয়া হৈছে। এই নিবনুৱা সকলক কৰ্ম সংস্থাপন অথবা নিজৰ ভৰিত থিয় দিব পৰাকৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দক্ষতা বিকাশ মিচনৰ দ্বাৰা কৰ্ম সংস্থাপনৰ চিন্তা চৰ্চা কৰিছে। সভাত উপস্থিত থাকি দক্ষতা বিকাশ মিচনৰ সমল ব্যক্তি সঞ্জীৱ শইকীয়াই কয় উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ নিবনুৱা যুৱক-যুৱতী সকলে নিজৰ দক্ষতা অনুসৰি ডাটা এন্ট্ৰী অপাৰেটৰ, এয়াৰ লাইন কাষ্টমাৰ ছাৰ্ভিছ, গেষ্ট ছাৰ্ভিছ এচোচিয়েট, এচিছটেণ্ট ইলেকট্ৰিছিয়ান, চিলাই মেচিন, কম্পিউটাৰকে ধৰি আঠটাকৈ বিষয়ৰ ওপৰত প্ৰশিক্ষণ গ্ৰহণ কৰিব পাৰিব। লালমাটিস্থিত প্ৰশিক্ষণ চেন্টাৰত হ'বলগীয়া এই তিনিমহীয়া প্ৰশিক্ষণ শিবিৰত থকা-খোৱা সম্পূৰ্ণ বিনামূলীয়াকৈ লাভ কৰিব নিবনুৱা যুৱক-যুৱতী সকলে। পান কাৰ্ড, আধাৰ কাৰ্ড, বেংক পাচবুক, শিক্ষাৰ প্ৰমাণপত্ৰ আৰু দুই কপি পাচপৰ্ট আকাৰৰ ফটো সংলগ্ন প্ৰ-পত্ৰ সমূহ ৩০ ডিচেম্বৰৰ ভিতৰত জমা দিবলৈ আহ্বান জনাই। ইয়াৰ পাছত বিধায়িকা গৰাকীয়ে ১ নং হাজো গাঁও পঞ্চায়তৰ সভাগৃহত আন এখন সজাগতা সভাত উপস্থিত থাকে।

# ৬০ লাখ টকা ব্যয় সাপেক্ষে ঐতিহাসিক শ্ৰীশ্ৰীপোৱাভিঠা সত্ৰত নিৰ্মাণ হ'ব সভাগৃহ

**ই-সংবাদ, হাজো, ১৫ ডিচেম্বৰ :** হাজো সমষ্টিৰ অন্তৰ্গত সত্ৰনগৰী ৰামদিয়াৰ ঐতিহাসিক শ্ৰীশ্ৰীপোৱাভিঠা সত্ৰৰ সভাগৃহৰ আধাৰশিলা স্থাপন। আনুষ্ঠানিকভাৱে আধাৰশিলা স্থাপন কৰে হাজো সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়াই। ২০২১-২২ বৰ্ষৰ আনটাইড ফাণ্ডৰ অধীনত ৬০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মান হ'বলগীয়া স্থায়ী সভাগৃহৰ আধাৰশিলা স্থাপন কৰি বিধায়িকা সুমন হৰিপ্ৰিয়াই কয় ঐতিহাসিক শ্ৰীশ্ৰীপোৱাভিঠা সত্ৰৰ স্থায়ী সভাগৃহ নিৰ্মাণ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু মন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ এক প্ৰচেষ্টা। এই সত্ৰখনৰ মাহাত্যৰ বাবে প্ৰতিবছৰে মহাপুৰুষ শ্ৰীশ্ৰীদেৱ দামোদৰ দেৱৰ তিৰোভাৱ তিথিত লাড়ু আগবঢ়াবলৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা লাখ লাখ ভক্তৰ সোঁত বয়। এই সভাগৃহ নিৰ্মাণে সেই লাখ লাখ ভক্তৰ লগতে অঞ্চলটোৰ ৰাইজৰ এক দীৰ্ঘদিনীয়া সমস্যা দূৰ কৰিব বুলি আশা প্ৰকাশ কৰে। প্ৰসঙ্গক্ৰমে বিধায়িকা গৰাকীয়ে কয় এই সত্ৰখনত ৰাইজৰ মংগল কামনা কামনা কৰাৰ লগতে প্ৰকাশ নকৰাকৈ ময়ো নিজৰ বাবে কিবা এটা বিচাৰিছোঁ। এই আধাৰশিলা স্থাপন অনুষ্ঠানত সত্ৰ পৰিচালনা সমিতিৰ বিষয়-ববীয়া, ভকত বৈষ্ণৱ আৰু আইমাতৃ সকল উপস্থিত থাকে।



ডমাল স্পৰ্টছ খেলপথাৰত অনুষ্ঠিত হোৱা ফুটবল খেলত মন্ত্ৰী পীযুষ হাজৰিকা

## গোৱালপাৰা, ধুবুৰী, বঙাইগাঁৱত বাঢ়িছে বাংলাদেশী মূলৰ মুছলমান

# জেহাদীৰ ৰম্যভূমিত পৰিণত অসম! হিন্দু সুৰক্ষা সেনা, অসমৰ মন্তব্য

**ই-সংবাদ, বৰপেটাৰোড, ১৫ ডিচেম্বৰঃ** নামনি অসমৰ বিভিন্ন প্ৰান্তৰ লগতে যোৱা কিছুদিন আগতে ধুবুৰী জিলাৰ গোৱালপাৰাত এনআইএৰ অভিযানত পাকিস্তানৰ কুখ্যাত সন্ত্ৰাসবাদী সংগঠন জইছ-ঈ-মহম্মদৰ নেতা ধৰা কাৰ্যৰ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে হিন্দু সুৰক্ষা সেনা, অসমে। আজি এক প্ৰেছ বিবৃতিৰ জৰিয়তে সেনাৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক কাঞ্চন নাথ আৰু কেন্দ্ৰীয় প্ৰচাৰ সম্পাদক গগন ডেকাই কয় যে, জেহাদীৰ ৰম্যভূমিত পৰিণত হৈছে এতিয়া অসম। যোৱাবাৰ ডিচেম্বৰত ভাৰত বিৰোধী নিষিদ্ধ ঘোষিত সংগঠন জইছ-ঈ-মহম্মদ টীমৰ ছাহানুৰ আলম, জয়নাল আবেদিন, ছাহানুৰ ইছলাম, আবু তালেব নামৰ চাৰি জনকৈ দুৰ্ধৰ্ষ নেতা গ্ৰেপ্তাৰ হোৱাৰ দৰে ঘটনাই এইটো স্পষ্ট কৰে যে অতি ক্ষিপ্ৰতাৰে ইছলামিক মৌলবাদী জেহাদীয়ে বৰ্তমান সময়ত নামনি উজনি আৰু মধ্য অসমত সাংগঠনিক স্থিতি মজবুত কৰাৰ লগতে অসমখন ইছলামিকস্থান গঢ়াৰ উদ্দেশ্যৰে প্ৰশিক্ষণ লৈ আছে। নামনি অসমৰ বিশেষকৈ গোৱালপাৰা, ধুবুৰী, বঙাইগাঁও, চিৰাং,বৰপেটা, বাক্সা, নলবাৰী আদি জিলাত বাংলাদেশী মূলৰ মুছলমান লোকৰ বসতিপ্ৰধান অঞ্চলসমূহত এতিয়া জেহাদ ব্যাপক প্ৰসাৰণ ঘটিছে। একেটা বিবৃতিতে নাথ আৰু ডেকাই কয় যে ,আগন্তুক দিনত যদি এই জেহাদী সন্ত্ৰাসবাদী সংগঠনৰ বিৰুদ্ধে বিশেষ সামৰিক বাহিনীৰ দ্বাৰা তীব্ৰ অভিযান আৰম্ভ নকৰে তেন্তে অনাগত দিনত অসম তথা উত্তৰ-পূৰ্বাঞ্চল ইছলামিস্থানত পৰিগণিত হ'ব।

# ৰঙিয়াত জাতীয় চেতনা দিৱসৰ আয়োজন

**ই-সংবাদ, ৰঙিয়া, ১৫ ডিচেম্বৰঃ** ৰণদিয়া সাহিত্য সভা (শতদল)ৰ উদ্যোগত তথা কামৰূপ জিলা সাহিত্য সভাৰ সহযোগত অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ ১৪০ সংখ্যক জন্ম জয়ন্তী উপলক্ষে অহা ১৮ ডিচেম্বৰত জাতীয় চেতনা দিৱস পালনৰ ব্যাপক প্ৰস্তুতি হাতত লোৱা হৈছে। তদুপলক্ষে স্থানীয় হৰদত্ত বীৰদত্ত ভৱনত আয়োজিত কাৰ্যসূচী অনুসৰি উক্ত দিনা পুৱাৰ ভাগত অসম সাহিত্য সভাৰ পতাকা উত্তোলনৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব ৰণদিয়া শতদল সাহিত্য সভাৰ সভাপতি জয়ন্তজিত কলিতাই। ইয়াৰ পিছতে বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰিব অৱসৰপ্ৰাপ্ত অধ্যাপক পবিন কলিতা আৰু আৰিমত্ত বিদ্যাপীঠ হাইস্কুলৰ অধ্যক্ষ নয়নজ্যোতি দাসে। অম্বিকাগিৰী ৰায় চৌধুৰীৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰিব অসম সাহিত্য সভাৰ মাতৃভাষা ৰাজ্যভাষা প্ৰয়োগ সমিতিৰ আহ্বায়ক হেমন্ত কলিতাই, মাল্যাৰ্পণ কৰিব অধ্যাপক ডঃনিলোৎপল শৰ্মাই। দিনৰ ভাগত দেশপ্ৰেমমূলক সাহিত্য পাঠৰ অনুষ্ঠানৰ উদ্বোধন কৰিব বিদ্যালয় উপ পৰিদৰ্শক ময়নুল হক চৌধুৰীয়ে। আনহাতে বিয়লি অসম সাহিত্য সভাৰ সভাপতি পদ্মশ্ৰী ডঃ সূৰ্য্যকান্ত হাজৰিকাৰ সভাপতিত্বত মুকলি সভা আৰু গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত কৰা হ'ব। উদ্বোধন কৰিব স্থানীয় বিধায়ক তথা ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই। সভাত পৰম সন্মানীয় অতিথিৰূপে বিশিষ্ট সাহিত্যিক গৌৰীকান্ত ভূঞা, বিশিষ্ট অতিথিৰূপে অসম সাহিত্য সভাৰ উপ-সভাপতি ডাঃগিৰীশ সন্দিকৈ, বিটিআৰৰ মুখ্য কাৰ্যবাহী বিষয়া প্ৰমোদ বড়ো, কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি ডঃ নৃপেন্দ্ৰ নাথ তালুকদাৰে অংশগ্ৰহণ কৰিব। মুখ্য অতিথিৰূপে বিশিষ্ট সাহিত্যিক ডঃ শুকদেৱ অধিকাৰী, নিৰ্দিষ্ট বক্তাৰূপে অধ্যাপক ডঃদিলীপ ৰাজবংশী উপস্থিত থাকিব। ইফালে একেখন মঞ্চতে গ্ৰন্থ উন্মোচন কৰিব সংস্কৃতিৰ দাপোন কাকতৰ মুখ্য সম্পাদক দিনমনি ভাগুৱাৰ কায়স্থ, ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ব্ৰজেন্দ্ৰ শইকীয়া আৰু পৌৰপতি অমৰেন্দ্ৰ লহকৰে।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

# বালাজান আৰক্ষীৰ জালত গো মাফিয়া সহিদুল

**ই-সংবাদ, গোলকগঞ্জ, ১৭ ডিচেম্বৰঃ** ধুবুৰী জিলাত গো-ধন, নিষিদ্ধ মাংস আৰু কাঠৰ চোৰাং বেহাৰে আৰক্ষীৰ নিদ্ৰা হৰণ কৰা গড়েহাটৰ সহিদুল হক অৱশেষত যোৱা নিশা বালাজান আৰক্ষীৰ জালত পৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। অভিযোগ মতে, কুখ্যাত সহিদুল গৰুৰ চোৰাং ব্যৱসায়ৰ লগত দীৰ্ঘ দিনৰ পৰাই জৰিত হৈ আহিছে। পশ্চিমবংগৰ পৰা চোৰাং গৰু বিলাসীবাহনেৰে গোপনে গৌৰীপুৰ ধুবুৰী লৈ প্ৰেৰণ কৰে। গোপন স্থানত ৰাখি তাৰ পৰাই ছেগ বুজি বাংলাদেশ লৈ চালান কৰে। বিভিন্ন সময়ত বিভিন্ন বাহন ধৰা পৰে যদিও অজ্ঞাত কাৰণত তেঁও বাৰে বাৰে বাছি যায়। অৱশ্যে আঠ দহদিন পূৰ্বে তেওঁৰ নামত গৰুৰ চোৰাং চালানত জৰিত থকা বুলি গৌৰীপুৰ থানাত এটা গোচৰ ৰুজু হৈছিল। উক্ত গোচৰৰ ভিত্তিত আৰক্ষীয়ে তেওঁক বিচাৰি আছিল। যোৱা নিশা বালাজান আৰক্ষীয়ে সন্দেহজনক অৱস্থাত তেওঁক ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা আটক কৰে। পুৱালৈকে বালাজান আৰক্ষী চকীত সোধা-পোছা কৰি গৌৰীপুৰ থানালৈ প্ৰেৰণ কৰে। উল্লেখ্য যে সহিদুল ধুবুৰীৰ এসময়ৰ মহা প্ৰতাপী গো মাফিয়া আদমৰ অন্যতম সহযোগী আছিল। এনকাউন্টাৰত আদমৰ মৃত্যুৰ পিছত কিছুদিন তেওঁ গৰুৰ চোৰাং ব্যৱসায়ৰ পৰা আঁতৰত আছিল। কিন্তু পুনৰ কিছুদিনৰ পৰা অধিক তৎপৰ হোৱাৰ অভিযোগ উত্থাপিত হৈছে। অকল গো ধনে নহয়, ইয়াৰ সমান্তৰাল কৈ তেওঁ নিষিদ্ধ মাংস আৰু চোৰাং কাঠৰ ব্যৱসায়তো জৰিত। যোৱা পাঁচ ডিচেম্বৰত তেওঁৰ অজ্ঞাতে পশ্চিমবংগৰ পৰা নিষিদ্ধ মাংস লৈ অসমত প্ৰৱেশ কৰা এখন বাহন স্থানীয় কেইজন মান স্বয়ম্ভু সাংবাদিক আৰু আক্ৰাছু নেতাৰ হতুৱাই ৰতিয়াদহত আটক কৰি তিনি কুইন্টল নিষিদ্ধ মাংস কাঢ়ি নিয়ে। কোনো অজ্ঞাত আশীষত এনে অনৈতিক কাৰ্য দপদপাই ফুৰাৰ অভিযোগ।

# বৰহাৰদিয়া ক'লীয়া গোসাঁই নামঘৰৰ মণিকূটৰ বিগ্ৰহ স্থাপন

**ই-সংবাদ, হাজো, ১৫ ডিচেম্বৰ :** তীৰ্থনগৰী হাজোৰ অন্তৰ্গত বৰহাৰদিয়াৰ ঐতিহাসিক ক'লীয়া গোসাঁই নামঘৰৰ মণিকূটৰ বিগ্ৰহ আজি এক আড়ম্বৰপূৰ্ণ ধৰ্মীয় পৰিবেশৰ মাজত স্থাপন কৰা হয়। উল্লেখ্য যে মহাবাহু ব্ৰহ্মপুত্ৰৰ দাঁতিকাষৰীয়া গাঁও বৰহাৰদিয়াত ১৯১৭ বৰ্ষতে স্থাপন হোৱা শ্ৰীশ্ৰীক'লীয়া গোসাঁই নামঘৰৰ মণিকূটৰ নিৰ্মাণকাৰ্য চলি থকাৰ বাবে মন্দিৰৰ বিগ্ৰহটো সভাঘৰতে ৰখা হৈছিল। অসম চৰকাৰে আগবঢ়োৱা অসম দৰ্শন আঁচনিৰ লগতে বৰহাৰদিয়া গাঁৱৰ প্ৰতিটো পৰিয়াল আৰু বিভিন্নজনে আগবঢ়োৱা দান- বৰঙনিৰে মণিকূটৰ নিৰ্মাণকাৰ্য সমাপ্ত হোৱাত আজি ৰাইজৰ সহযোগত হোম-যজ্ঞ, শংখ-ডবা-ঘণ্টা, আয়তীৰ উৰুলি ধ্বনিৰে মন্দিৰ চৌহদ প্ৰদক্ষিণ কৰাই মূল বিগ্ৰহ মণিকূটৰ ভিতৰত স্থাপন কৰা হয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি পুৱাৰ ভাগত বন্তি প্ৰজ্বলন কৰে গাওঁ প্ৰধান ভাৰত চন্দ্ৰ কলিতাই। দিনৰ ১১-৩০ বজাত মণিকূটৰ বিগ্ৰহ লৈ উলিওৱা হয় এক ধৰ্মীয় শোভাযাত্ৰা। এই শোভাযাত্ৰা আনুষ্ঠানিক ভাবে উদ্বোধন কৰে বিশিষ্ট সমাজসেৱক অৰুণ ঠাকুৰীয়াই। এই অনুষ্ঠানতে ক'লীয়া গোসাঁই নামঘৰৰ মণিকূট নিৰ্মানৰ বাবে বিশেষভাৱে অৰিহণা আগবঢ়োৱা আৰু শুভাকাংক্ষী ভালেসংখ্যক ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ পিছতে দুপৰীয়া আয়োজন কৰা হয় এক সামূহিক প্ৰীতি ভোজন। নিশা বলোৰাম কলিতা আৰু তিলক কলিতাই নাগাৰা নাম পৰিবেশন কৰাৰ অন্তত অনুষ্ঠানৰ সামৰণি পৰে।

# বৰমাত নৱকিৰণ হেলথ্ কেয়াৰ মুকলি




**ই-সংবাদ, বৰমা, ১৫ ডিচেম্বৰঃ** বাক্সা জিলাৰ বৰমাত আজি দীৰ্ঘদিনীয়া আশাসুধীয়া প্ৰচেষ্টাৰে গঢ় লৈ উঠিল নৱকিৰণ হেলথ্ কেয়াৰ নামৰ এক ব্যক্তিগত খণ্ডৰ চিকিৎসালয়। ।বৰমাৰ মাজমজিয়াত যুৱ চিকিৎসক ডাঃ হৰ্ষজিৎ পাঠক, ডাঃ ঋদ্ধশ্ৰী বৰুৱা, ডাঃ অঞ্জন বৰ্মন আৰু ডাঃ দেৱজিৎ চৌধুৰীৰ নেতৃত্বত গঢ় লৈ উঠা হেলথ্ কেয়াৰ মাল্টিস্পেচিয়েলিটি চিকিৎসালয়খন আজি আনুষ্ঠানিকভাৱে মুকলি কৰে নলবাৰী মেডিকেল কলেজৰ জ্যেষ্ঠ চিকিৎসক ডাঃ ৰক্তিম প্ৰতীম তামুলীয়ে। তেওঁ উন্নত চিকিৎসাৰ বাবে দূৰ-দূৰণিলৈ যাব লগা ৰোগীসকলে এতিয়া বৰমাতেই উন্নত চিকিৎসা লাভ কৰিব পাৰিব বুলি কয়। উক্ত অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে বৰমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ কালিকান্ত দাসে। পতাকা উত্তোলন কৰে বৰমা বিশিষ্ট শিক্ষাবিদ ড° নৃপেন্দ্ৰ নাথ শৰ্মাই ।বৃক্ষৰোপন কৰে ৰত্নেশ্বৰ দাস, ৰজত চৌধুৰী, যতীন দাস, আৰু নৰেন ডেকাই। অনুষ্ঠানত বাক্সা জিলাৰ স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ড° মনোজ দাস, শিক্ষাবিদ ড° ফণীধৰ তালুকদাৰ, স্বপন কুমাৰ শৰ্মা,বিশিষ্ট সমাজকৰ্মী অজয় দাস, খনীন ডেকা, বসন্ত শৰ্মা, খগেন তালুকদাৰ ,কন্দৰ্প শৰ্মকে ধৰি ভালেসংখ্যক বৰমাৰ বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## নতুন সভাপতি-সম্পাদক নিৰ্বাচন কৰি প্ৰস্তুতি তুংগত

# মায়ঙত ৫ জানুৱাৰীত মৰিগাঁও জিলা সাহিত্য সভাৰ দ্বি-বাৰ্ষিক অধিবেশন

**ই-সংবাদ, মৰিগাঁও, ১৫ ডিচেম্বৰঃ** মৰিগাঁও জিলা সাহিত্য সভাৰ আগন্তুক কাৰ্যকালৰ বাবে ডঃ হৰমোহন কলিতা সভাপতি, লক্ষেশ্বৰ বৰদলৈ উপ-সভাপতি আৰু কুশল কুমাৰ বৰা সম্পাদক হিচাপে নিৰ্বাচিত হৈছে। প্ৰায় এপষেক জুৰি চলা নিৰ্বাচন প্ৰক্ৰিয়াৰ অন্তত আজি অনুষ্ঠিত ভোট গণনাত শাখা সাহিত্য সভা সমূহৰ পৰা প্ৰেৰণ কৰা সৰ্বাধিক ভোট লাভ কৰি সভাপতি আৰু সম্পাদকৰ প্ৰাৰ্থী দুগৰাকী নিৰ্বাচিত হোৱাৰ বিপৰীতে উপ-সভাপতি পদৰ প্ৰাৰ্থী গৰাকী বিনা প্ৰতিদ্বন্দিতাৰে জয়ী হয়। মৰিগাঁও জিলা সাহিত্য সভাৰ আজি অনুষ্ঠিত সপ্তম পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভাত নিৰ্বাচনৰ ভোট গণনাৰ অন্তত নিৰ্বাচনী সমিতিখনে এই ফলাফল আনুষ্ঠানিক ভাবে ঘোষণা কৰে। ইপিনে মৰিগাঁও জিলা সাহিত্য সভাৰ কাৰ্যালয় শশীকান্ত হাজৰিকা ভৱনত সভাপতি মহেন্দ্ৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভাখনত জিলা সাহিত্য সভাৰ সাংগঠনিক কাম কাজ, আগন্তুক দ্বি-বাৰ্ষিক অধিবেশনকে ধৰি বহুকেইটা গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত বিস্তৃত ভাবে আলোচনা কৰা হয়। সভাখনৰ আঁত ধৰে মৰিগাঁও জিলা সাহিত্য সভাৰ সম্পাদক ডঃ অচ্যুত কুমাৰ দাসে। উল্লেখ্য যে আগন্তুক ৫ জানুৱাৰীত মৰিগাঁও জিলাৰ মায়ঙত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মৰিগাঁও জিলা সাহিত্য সভাৰ দ্বি-বাৰ্ষিক অধিবেশনখন অনুষ্ঠিত কৰা হ'ব। এই অধিৱেশনখন সুচাৰুৰূপে পৰিচালনা কৰিবলৈ মিহিৰ হাজৰিকাক সভাপতি আৰু নব ৰাজনক সম্পাদক হিচাপে লৈ ইতিমধ্যে অভ্যৰ্থনা সমিতি গঠন কৰা হৈছে।

# যুৱ পৰিৱেশ কৰ্মী মাধৱ ছেত্ৰীলৈ মহাত্মা গান্ধী বঁটা

**ই-সংবাদ, তামুলপুৰ, ১৫ ডিচেম্বৰঃ** তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৰ গুৱাবাৰী নিবাসী যুৱ সমাজকৰ্মী, মানৱ দৰদী যুৱক, অবিভক্ত বাক্সা জিলাৰ এগৰাকী বিশিষ্ট পৰিৱেশ কৰ্মী, ছাত্ৰ নেতা মাধৱ ছেত্ৰীক মহাত্মা গান্ধী বঁটাৰ বাবে মনোনীত কৰা হৈছে। এই যোগাত্মক খবৰে বৃহত্তৰ নাগ্ৰীজুলি অঞ্চলত কাম কৰি থকা পৰিৱেশ কৰ্মীসকলৰ মাজত আনন্দৰ জোৱাৰ তুলিছে। অতি দুখীয়া ঘৰত জন্ম লাভ কৰা যুৱ সমাজকৰ্মী তথা পৰিৱেশ কৰ্মী মাধৱ ছেত্ৰীয়ে অবিভক্ত বাক্সা জিলাৰ ভাৰত- ভূটান সীমান্তত বিগত প্ৰায় ১৫ বছৰতকৈ অধিক কাল চলি থকা হাতী-মানুহৰ সংঘাত ৰোধৰ বাবে ঐকান্তিকভাৱে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি কাম কৰি আহিছে। বছৰৰ পিছত বছৰ ধৰি ভূটান সীমান্তত চলি থকা বনৰীয়া হাতী আৰু মানুহৰ সংঘাত ৰোধৰ বাবে বন বিভাগ, জিলা প্ৰশাসন, বিভিন্ন বেচৰকাৰী সংস্থাৰ সৈতে আৱশ্যক অনুযায়ী নিজৰ পকেটৰ ধন খৰছ কৰি হলেও অঞ্চলটোৰ দুখীয়া জনসাধাৰণৰ হকে কাম কৰি দুখীয়া কৃষক ৰাইজৰ প্ৰশংসাৰ পাত্ৰ হৈ পৰিছে মাধৱ ছেত্ৰী। উল্লেখ্য যে আজিৰ পৰা কেইবছৰমান আগতে তেওঁ হাতী খেদিবলৈ গৈ গুৰুতৰ ভাবে আহত হ'ব লগা হৈছিল আৰু তেওঁৰ ভৰিত প্ৰায় ১৭ টা চিলাই দিব লগা হৈছিল যাৰ ফলত তেওঁ দুমাহতকৈ অধিক কাল শয্যাগত হ'ব লগাত পৰিছিল। ইমান দুখ-কষ্টৰ পিছতো কিন্তু মাধৱ ছেত্ৰী থমকি ৰোৱা নাছিল। মানুহৰ দুখ দুৰ্দশা সহিব নোৱাৰা মাধৱে বছৰটোৰ বেছি ভাগ নিশাই উজাগৰে কটাই ৰাইজৰ সৈতে হাতী খেদাত ব্যস্ত হৈ থাকে। হাতী আৰু মানুহৰ সংঘাত ৰোধৰ হকে কাম কৰি অসমৰ আগশাৰীৰ এটা অনুষ্ঠানৰ পৰা "এনাজৰী বঁটা"ৰ উপৰিও ভালে সংখ্যক বঁটা লাভ কৰা এইগৰাকী তামুলপুৰৰ পৰিৱেশ কৰ্মী মাধৱ ছেত্ৰীক অতি সম্প্ৰতি পশ্চিম বংগৰ এটি আগশাৰীৰ বেচৰকাৰী সংস্থা ৱেলৰেডে এইবাৰ মহাত্মা গান্ধী বটা প্ৰদানৰ বাবে মনোনীত কৰিছে। অহা ২৮ ডিচেম্বৰত পশ্চিম বংগৰ কলকাতাত পশ্চিম বংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ উপস্থিতিত অনুস্থিতব্য এক অনুষ্ঠানত ৱেলৰেড নামৰ সংস্থাটোৱে পৰিৱেশ কৰ্মী মাধৱ ছেত্ৰীক এই সন্মানীয় বঁটা প্ৰদান কৰিব। মাধৱ ছেত্ৰীক এই সন্মানীয় বঁটা প্ৰদানৰ বাবে মনোনীত কৰা কাৰ্যই অঞ্চলটোৰ ৰাইজক পৰিৱেশ সুৰক্ষাৰ হকে কামৰ বাবে উদগনি জনোৱাৰ লগতে মাধৱ ছেত্ৰীকো উৎসাহিত কৰিব বুলি আশা কৰা হৈছে।

# খাৰুপেটীয়াত জেষ্ঠ নাগৰিক সন্মিলনৰ সাধাৰণ সভা সম্পন্ন, নতুন সমিতি গঠন

**ই-সংবাদ, খাৰুপেটীয়া, ১৫ ডিচেম্বৰঃ** অৱসৰী শিক্ষক-কৰ্মচাৰীৰে গঠিত বৃহত্তৰ খাৰুপেটীয়া জেষ্ঠ নাগৰিক সন্মিলন সাধাৰণ সভাখন আজি দিনযোৱা কাৰ্যসূচীৰে খাৰুপেটীয়া হস্পিতালৰোডস্থিত দৰং জাতীয় বিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈ যায়। সন্মিলনৰ সভাপতি প্ৰমোদ ৰঞ্জন সাহাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত খন্দকাৰ দেলোৱাৰ হুছেইনে উদ্দেশ্য বাখ্যা কৰে। সভাত জ্যেষ্ঠ নাগৰিক অৱসৰপ্ৰাপ্ত শিক্ষক হৰমুজ আলী, আমজাদ আলী, ৰবীন্দ্ৰনাথ সাহা, মুক্তাৰুল ইছলাম , মোজাফৰ হুছেইন, আব্দুল মজিদ প্ৰমুখ্যে কেবাজনো ব্যক্তিয়ে সন্মিলনৰ নানা সমস্যাৱাজিৰ ওপৰত বিশ্লেষণ কৰি গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে। উল্লেখ্য যে সভাত সম্পাদকৰ প্ৰতিবেদন পাঠ আৰু অনুমোদনৰ পিছত পুৰণি সমিতি ভংগ কৰি ৰবীন্দ্ৰনাথ সাহাক সভাপতি, হৰমুজ আলীক কাৰ্যকৰী সভাপতি, আজাদ হুছেইন, মতিউৰ ৰহমান আৰু আব্দুল মজিদক উপ সভাপতি, মুক্তাৰুল ইছলামক সাধাৰণ সম্পাদক, স্বদেশ সৰকাৰক যুটীয়া সম্পাদক, আবু মঞ্জুৰ আহমেদক সহ সম্পাদক হিচাপেলৈ ২১ জনীয়া বৃহত্তৰ খাৰুপেটীয়া জ্যেষ্ঠ নাগৰিক সন্মিলনৰ নতুন সমিতি গঠন কৰা হয়। নৱগঠিত সমিতিয়ে অনাগত দিনত জ্যেষ্ঠ নাগৰিক সকলৰ বিভিন্ন ধৰণৰ সমস্যাৱাজিৰ লগতে সমাজত প্ৰচলিত কুসংস্কাৰ, মদ, ভাং, ড্ৰাগছৰ আদিৰ পৰা যুৱ প্ৰজন্মক কেনেকৈ উদ্ধাৰ কৰিব পৰা যাব সেই বিষয়ে পদক্ষেপ গ্ৰহণৰ প্ৰস্তাৱ গ্ৰহণ কৰে।

# বাক্সাৰ নিকাছি উচ্চ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তীৰ সামৰণি

**ই সংবাদ, মুছলপুৰ, ১৫ ডিচেম্বৰ:** বাক্সা জিলাৰ ভাৰত-ভূটান সীমান্তত অৱস্থিত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান নিকাছি উচ্চ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তীৰ আজি এক উৎসৱ মুখৰ পৰিৱেশৰ মাজেৰে সামৰণি পৰে। দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত সোণালী জয়ন্তীৰ আজি অন্তিম দিনা পুৱা গছপুলি ৰোপনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ হয়। ইয়াৰ পাচতে ৰাজ বাহাদুৰ চুব্বা সোঁৱৰণী বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত হয়। বিশিষ্ট নাট্যকৰ্মী পৃথীবিলাস ভট্টাৰায়ে শুভ উদ্বোধন কৰা সাংস্কৃতিক শোভাযাত্ৰাত গোৰ্খা, বড়ো, আদিবাসী, কোচ-ৰাজবংশী জনগোষ্ঠীৰ পৰম্পৰাগত নৃত্য দলৰ উপৰিও বিহু, বেণ্ডপাৰ্টি, এন চি চি কেডেটসকলে ভাগ লোৱা শোভাযাত্ৰাৰ বৃহত্তৰ অঞ্চলটো লৈ সমন্বয়ৰ বাৰ্তা কঢ়িয়াবলৈ সক্ষম হয়। ইয়াৰ পাচতে দুপৰীয়া এক বজাত উদযাপন সমিতিৰ সভাপতি জয়লাল পোখৰেলৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা। বিটিচিৰ দিহিঙা পৰিষদীয় সমষ্টিৰ এম চি এল এ ঘনশ্যাম দাসে উদ্বোধন কৰা সভা খনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী। সভাত ভাষণ দি অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে কয় যে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত যেনেদৰে শিক্ষক-অভিভাৱকৰ যৌথ সভা অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ অগ্ৰগতি সন্দৰ্ভত আলোচনা কৰে, ঠিক একেদৰে চৰকাৰী বিদ্যালয় সমূহতো এই প্ৰক্ৰিয়াৰে ছাত্ৰ-ছাত্ৰীৰ খিয়াল ৰাখিব লাগে । তেওঁ লগতে কয় যে প্ৰতিযোগিতা মূলক পৰীক্ষা সমূহত একোটা অঞ্চলত বৰ্তমানলৈকে কিমান শিক্ষাৰ্থীয়ে সফলতা লাভ কৰিছে সেয়া হিচাপ ৰাখিব লাগিব, কিন্তু তাতোকৈ অধিক গুৰুত্ব দিব লাগিব ভৱিষ্যতে তেনে কিমান শিক্ষাৰ্থী গঢ়ি তুলিব পাৰিম । ছাত্ৰৰ উন্নতিত শিক্ষক-অভিভাৱকৰ যথেষ্ট ভূমিকা আছে, ছাত্ৰ-ছাত্ৰীক পঢ়াৰ অভ্যাস গঢ়ি তুলিব লাগিব । অভ্যাসৰ ফলতে কঠিন কামো সহজসাধ্য হৈ উঠে । ছাত্ৰ-ছাত্ৰী কিতাপৰ পোক হৈ পৰিব লাগিব । বাহিৰা ৰাজ্য সমূহত ইউপিএছচিৰ ক্ষেত্ৰত উচ্চতৰ মাধ্যমিক বৰ্ষৰ পৰাই প্ৰস্তুতি চলায় । কিন্তু আমাৰ ক্ষেত্ৰত স্নাতক পৰ্যায়ৰ পিছতহে এপিএছচি-ইউপিএছচিৰ কাৰণে চিন্তা কৰা হয়। অতীত ৰোমন্থনৰ কথা উল্লেখ কৰি দৈমাৰীয়ে তাহানিতে ভাৰত-ভূটান সীমান্তত অৱস্থিত বাক্সাৰ নিকাছি অঞ্চলৰ লোকসকল কেনেদৰে ৰাজহুৱা স্থানবোৰত আম-কঠাল ফৰ্মুটিয়াই ফুৰিছিল, কোন ছাত্ৰ অৱস্থাত কাৰ প্ৰেমত পৰিছিল আৰু পিছত কাৰ সৈতে বিবাহপাশত আৱদ্ধ হ'ল সেইবোৰ এই সোণালী জয়ন্তী উদযাপনৰ ক্ষণত মনলৈ অহাৰ কথা উল্লেখ কৰি নিজৰ ছাত্ৰ অৱস্থাৰ বিষয়েও ৰোমন্থন কৰে । সভাত বিশেষ সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি অৱসৰপ্ৰাপ্ত আইজিপি দেৱৰাজ উপাধ্যায়ে কয় যে ছাত্ৰ-ছাত্ৰীক প্ৰেৰণা দিবলৈ কেৱল শিক্ষক সকল আছে বুলি ভাবি ল'লে নহ'ব, অভিভাৱকৰো দায়িত্ব আছে । ভাষাৰ ক্ষেত্ৰত আজিৰ ছাত্ৰই মাতৃভাষাক খামুচি ধৰি থাকিলে নহ'ব, অন্তত ইংৰাজী আৰু হিন্দী লিখিব আৰু পঢ়িব পাৰিব লাগিব । তেতিয়াহে ছাত্ৰ-ছাত্ৰীয়ে নিজকে যিকোনো স্থানতে উপযুক্ত কৰি তুলিব পাৰিব । তেওঁ লগতে শিক্ষক সকল ছাত্ৰ-ছাত্ৰীৰ বাবে ৰোল মডেল বুলি উল্লেখ কৰি কয় যে শিক্ষকৰ বেয়াখিনিও ছাত্ৰ-ছাত্ৰীয়ে অনুসৰণ কৰে আৰু ভালেখিনিও অনুসৰণ কৰে । ছাত্ৰ-ছাত্ৰী সকলক সময়সূচী ব্যৱহাৰ কৰি সময়ৰ প্ৰতি সচেতন হ'বলৈও আহ্বান জনায় অৱসৰপ্ৰাপ্ত আইজিপি গৰাকীয়ে । সোণালী জয়ন্তী উদযাপন সমিতিৰ সম্পাদক মনোৰঞ্জন স্বৰ্গীয়াৰীয়ে আঁতধৰা সভাত বিদ্যালয় খনৰ প্ৰধান শিক্ষক মান্না সিং ব্ৰহ্ম, লক্ষীপুৰ হাইস্কুলৰ অৱসৰী প্ৰধান শিক্ষক তৰুণ শৰ্মা, সমাজকৰ্মী বিক্ৰম সিং ব্ৰহ্ম, মৃদুল সিং ব্ৰহ্ম, মুন সিং ব্ৰহ্ম, জগদীশ ৰামচিয়াৰীকে ধৰি কেবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত আছিল। নিশা সাংস্কৃতিক কাৰ্যসূচীৰে সোণালী জয়ন্তীৰ সামৰণি পৰে।

# ছিপাঝাৰত দৰং জিলা ভিত্তিত কুইজ প্ৰতিযোগিতা

**ই-সংবাদ, ছিপাঝাৰ, ১৫ ডিচেম্বৰঃ** চলিত বৰ্ষৰ ২৭, ২৮, ২৯ আৰু ৩০ ডিচেম্বৰত অনুষ্ঠিত হ'বলগীয়া দৰং জিলাৰ বৃহত্তৰ হাজৰিকাপাৰা অঞ্চলৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান গান্ধী স্মৃতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠানত 'শিক্ষা আৰু সাহিত্য' বিভাগৰ উদ্যোগত অহা ২৭ ডিচেম্বৰত দিনৰ ১২ বজাত দৰং জিলা আন্তঃ উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এখনি কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাখনত নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰিব পাৰিব। এই প্ৰতিযোগিতাত অংশগ্ৰহণকাৰী প্ৰতিযোগীসকলে কোনো যোগদান মাছুল দিব নালাগে। উল্লেখ্য যে, এটা দলত দুজনকৈ প্ৰতিযোগী থাকিব পাৰিব। এখন বিদ্যালয়ৰ পৰা একাধিক দলে অংশগ্ৰহণ কৰিব পাৰিব। প্ৰতিযোগীসকলে নিজ বিদ্যালয়ৰ মুৰব্বীৰ পৰা পৰিচয় পত্ৰ আনিব লাগিব। প্ৰতিযোগীসকলে প্ৰতিযোগিতা আৰম্ভ হোৱাৰ এঘণ্টা আগত নাম পঞ্জীয়ন কৰিব লাগিব। প্ৰতিযোগিতাত প্ৰথম স্থান প্ৰাপ্ত দলক ৪০০০ টকাৰ লগতে মানপত্ৰ আৰু স্মাৰক, দ্বিতীয় স্থান প্ৰাপ্ত দলক ৩০০০ টকাৰ লগতে মানপত্ৰ আৰু স্মাৰক আৰু তৃতীয় স্থান প্ৰাপ্ত দলক ২০০০ টকাৰ লগতে মানপত্ৰ আৰু স্মাৰক প্ৰদান কৰা হ'ব বুলি শিক্ষা আৰু সাহিত্য বিভাগৰ সভাপতি গোপাল হাজৰিকাই জানিবলৈ দিছে।

# বেঁকী নদীৰ খহনীয়াৰ বান্ধৰ কামত খেলিমেলি

**ই-সংবাদ, কলগাছিয়া, ১৫ ডিচেম্বৰঃ** কলগাছিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত কৰাৰকুৰৰ পৰা বৰডাংগালৈকে বেঁকী নদীৰ খহনীয়া প্ৰতিৰোধৰ কামত ব্যাপক খেলিমেলি হোৱাৰ অভিযোগ উথাপিত হৈছে। ঠিকাদাৰৰ চৰম অবহেলাৰ বাবেই জিঅ' বেগেৰে কৰা কাম ৬ মাহ হোৱাৰ পূৰ্বেই জহিখহি যোৱা পৰিলক্ষিত হৈছে। উল্লেখ্য যে বিশ্ব বেংকৰ ধনেৰে আৰম্ভ হোৱা বেঁকী নদীৰ খহনীয়া প্ৰতিৰোধৰ কাম সঠিকভাৱে ৰূপায়ণ নোহোৱাত নৈপৰীয়া লোকসকলৰ মাজত এক প্ৰকাৰ আতংকৰ সৃষ্টি হৈছে। খৰালিৰ সময়তো নৈখনৰ খহনীয়াই তীব্ৰ ৰূপ ধাৰণ কৰাত খাৰবাল্লী, বলাইপাথাৰ, বৰডাংগা আদি গাঁওলৈ ভাবুকি আহি পৰিছে। ইপিনে, খহনীয়াই কৰাৰকুৰৰ ২ নং বিকল্প ৰাজ্যিক ঘাইপথলৈও ভাবুকি কঢ়িয়াই আনিছে। এইক্ষেত্ৰত ৰাজ্য চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষই যদি কোনো ব্যৱস্থা গ্ৰহণ নকৰে তেন্তে সমাগত পঞ্চায়ত নিৰ্বাচন বৰ্জন কৰাৰ হুংকাৰ প্ৰদান কৰিছে ভুক্তভোগী ৰাইজে।

# বেদখলকৃত সত্ৰৰ ভূমি পুনৰ উদ্ধাৰৰ দাবীত স্মাৰকপত্ৰ সত্ৰ সমন্বয়ৰক্ষী সমিতিৰ

**ই-সংবাদ, বেবেজীয়া, ১৫ ডিচেম্বৰঃ** অসমীয়া কলা-কৃষ্টি-সংস্কৃতিৰ জনক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ পবিত্ৰ জন্মভূমি বটদ্ৰৱাৰ চাৰিও দিশত অৱস্থিত কিছু সত্ৰৰ ভূমিৰ লগতে জলাশয়, জান, জুৰি সম্প্ৰতি পমুৱা মুছলমান বেদখলকাৰীৰ কৱলত থকা দেখিবলৈ পোৱা গৈছে। আনকি গুৰুজনাই অসমৰ জাতীয় জীৱনক সমৃদ্ধিশালী কৰি যোৱা অসমীয়াৰ স্বাভিমানস্বৰূপ এই সত্ৰসমূহৰ অস্তিত্বৰ প্ৰতিও বৰ্তমান চৰম ভাবুকি কঢ়িয়াই আনিছে এই অবৈধ বেদখলকাৰীসকলে। এই গুৰুতৰ অভিযোগ সত্ৰৰ ভূমি উদ্ধাৰ আৰু সত্ৰ সমন্বয়ৰক্ষীৰ নগাঁও জিলা সমিতিৰ। জিলা খনৰ ধিং ৰাজহ চক্ৰৰ অন্তৰ্গত বালিসত্ৰ কিছামতৰ ৩ নং দাগৰ গোপাচাৰ, ৰাজাবাৰী গ্ৰেজিং ৰিজাৰ্ভ, ধিং লেতেৰী শলগুৰি সত্ৰৰ ভূমি, ঘাট, ৰামপুৰ সত্ৰ ভূমি পুনৰ উদ্ধাৰ, ৰামপুৰ সত্ৰৰ গাতে লাগি থকা এৰাসুতি জান, কোবাইকটা সত্ৰৰ ভূমি, কুজি সত্ৰৰ সমীপৰ কুজি বিলকে আদি কৰি যি সমূহ সত্ৰৰ ভূমি, জলাশয়, জান-জুৰি, বিল বেদখলকাৰী পমুৱা মুছলমানৰ কৱলত আছে সেই সমূহ শীঘ্ৰে উদ্ধাৰৰ দাবী জনাই শনিবাৰে সত্ৰৰ ভূমি উদ্ধাৰ আৰু সত্ৰ সমন্বয়ৰক্ষীৰ নগাঁও জিলা সমিতিয়ে নগাঁও জিলা আয়ুক্তক এখন স্মাৰক পত্ৰ প্ৰদান কৰাৰ লগতে আয়ুক্তৰ জৰিয়তে অসমৰ ৰাজহ বিভাগৰ আয়ুক্তলৈয়ো পৃথকে আন এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। সত্ৰৰ ভূমি উদ্ধাৰ আৰু সত্ৰ সমন্বয়ৰক্ষীৰ নগাঁও জিলা সমিতিৰ সঁজাতি দলটোৱে আয়ুক্ত গৰাকীক সত্ৰসমূহৰ ভূমি উদ্ধাৰ কৰি সংশ্লিষ্ট সত্ৰসমূহৰ হাতত অৰ্পণ কৰাৰ দাবী জনায়। তদুপৰি সত্ৰৰ ভূমি উদ্ধাৰ আৰু সত্ৰ সমন্বয়ৰক্ষীৰ নগাঁও জিলা সমিতিৰ উপদেষ্টা তথা বটদ্ৰৱা শ্ৰী শ্ৰী নৰোৱা সত্ৰৰ সত্ৰাধিকাৰ অম্লানজ্যোতি দেৱ গোস্বামীৰ উপস্থিতিত সভাপতি ইন্দ্ৰমোহন বৰুৱা আৰু সম্পাদক মানিক বৰাই আয়ুক্ত গৰাকীৰ লগত এক সৌহাৰ্দপূৰ্ণ আলোচনাতো মিলিত হয়। উক্ত আলোচনাত পশ্চিম নগাঁৱৰ এই সত্ৰসমূহৰ ভিন্ন সমস্যা আদিৰ লগতে ডুমডুমীয়া-বালিসত্ৰৰ পৰা বটদ্ৰৱাৰ লগত একমাত্ৰ সংযোগী অৰ্ধনিৰ্মিত অৱস্থাত থকা গড়কাপ্তানি পথটোকে ধৰি বৃহত্তৰ অঞ্চলটোৰ বিভিন্ন সমস্যাৰাজিৰ বিষয়ে জিলা আয়ুক্তগৰাকীক অৱগত কৰা হয়।



'ব্ৰহ্মপুত্ৰ কাৰ্নিভেল'ৰ উদ্বোধনী অনুষ্ঠানত প্ৰাক্তন আৰু বৰ্তমানৰ পৰ্যটন মন্ত্ৰী

# চৰাইদেউ জিলাত নতুন ৰেচন কাৰ্ড বিতৰণৰ প্ৰথম পৰ্যায়ৰ আনুষ্ঠানিক কাৰ্যসূচী সম্পন্ন

**ই-সংবাদ, সোণাৰি, ১৫ ডিচেম্বৰ:** অসম চৰকাৰে ৰাজ্যৰ আৰ্থিকভাৱে পিছপৰা জনগণৰ খাদ্য সুৰক্ষা আৰু পৰিপুষ্টি সাধন সুনিশ্চিত কৰাৰ উদ্দেশ্যে আজি বিধানসভা সমষ্টি ভিত্তিত নতুন ৰেচন কাৰ্ড বিতৰণৰ এক বৃহৎ জনকল্যাণকামী পদক্ষেপ গ্ৰহণ কৰিছে। এই পদক্ষেপৰ অংশস্বৰূপে আজি চৰাইদেউ জিলাৰ সোণাৰি আৰু মাহমৰা বিধানসভা সমষ্টি ভিত্তিত নতুন ৰেচন কাৰ্ড বিতৰণৰ প্ৰথম পৰ্যায়ৰ আনুষ্ঠানিক কাৰ্যসূচী অনুষ্ঠিত হয়। সমান্তৰালকৈ আৰম্ভ হোৱা দুয়োখন অনুষ্ঠানৰ আৰম্ভণিতে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ দ্বাৰা গুৱাহাটীৰ সৰুসজাইৰ পৰা কেন্দ্ৰীয়ভাৱে উদ্বোধন কৰা ৰেচন কাৰ্ড বিতৰণ কাৰ্যসূচীৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হয়। চৰাইদেউ জিলাৰ মাহমৰা বিধানসভা সমষ্টিৰ জঁজলী পাঁচআলি ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত নতুন ৰেচন কাৰ্ড বিতৰণৰ প্ৰথম পৰ্যায়ৰ আনুষ্ঠানিক কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি অসম চৰকাৰৰ পৰিবহন, সমবায় আদি বিভাগৰ মন্ত্ৰী তথা মাহমৰা বিধসনসভা সমষ্টিৰ বিধায়ক যোগেন মহনে মাহমৰা সমষ্টিবাসী ৰাইজক উদ্দেশ্যি প্ৰদান কৰা ভাষণত উল্লেখ কৰে যে অসম চৰকাৰৰ এই প্ৰয়াসৰ দ্বাৰা সমাজৰ শেষৰজন ব্যক্তিও উপকৃত হ'ব আৰু যাৰ ফলস্বৰূপে সমাজ আগন্তুক দিনত আৰ্থিকভাৱে শক্তিশালী হ'ব। তেওঁ কয় যে, সাময়িকভাৱে ৰাইজক সকাহ দিয়া হ'ল এই আঁচনিৰ লক্ষ্য। এই সাময়িক সকাহ লৈ ৰাইজে স্বাৱলম্বিতাৰ দিশত নিজে আগবাঢ়ি যাবলৈ প্ৰয়াস কৰিব লাগে বুলি মন্ত্ৰী মহনে মত ব্যক্ত কৰে। এই অনুষ্ঠানত মাহমৰাৰ সম-জিলা আয়ুক্ত পলাশ কুমাৰ আহোমে, অতিৰিক্ত আৰক্ষী অধীক্ষক জ্যোতি প্ৰসাদ পেগু, সহকাৰী আয়ুক্ত অনুৰাগ ৰুদ্ৰ, মাহমৰাৰ খণ্ড উন্নয়ণ বিষয়া উৎপল গগৈ, বিভিন্ন বিভাগৰ বিষয়া- কৰ্মচাৰী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। আনহাতে সোণাৰি নগৰস্থিত ভগৱতী প্ৰসাদ বৰুৱা সোঁৰৱণী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত সোণাৰি বিধানসভা সমষ্টি ভিত্তিক কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে তেওঁৰ বক্তব্যত এখন সুস্থ-সবল তথা পৰিপুষ্ট সমাজ গঢ়াৰ লক্ষ্য আগত ৰাখি অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ সবল নেতৃত্বত নতুনকৈ ৰেচন কাৰ্ড লাভ কৰা হিতাধিকাৰীসকলক শুভেচ্ছা আৰু অভিনন্দন জনায়। আজি ৰাজ্যৰ ৪৯ খন বিধানসভা সমষ্টিত এই কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে বুলি অবগত কৰি তেওঁ কয় যে ৰেচন কাৰ্ড প্ৰাপক সকলে আয়ুস্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা আৰু আয়ুস্মান অসম মুখ্যমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত আয়ুস্মান কাৰ্ডৰ জৰিয়তে বছৰি ৫ লাখ টকা পৰ্য্যন্ত বিনামূলীয়া চিকিৎসা সেৱা লাভ কৰিব পাৰিব। ৰেচন কাৰ্ডৰ জৰিয়তে যোগ্য হিতাধিকাৰীয়ে অৰুণোদয় ৩.০ আঁচনিৰ সুফলো লাভ কৰিবলৈ সক্ষম হ'ব বুলি তেওঁ অবগত কৰে। অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰি চৰাইদেউ জিলাৰ জিলা আয়ুক্ত ডাঃ নেহা যাদৱে তেওঁৰ বক্তব্যত কয় ৰেচন কাৰ্ড প্ৰাপ্ত প্ৰতিটো পৰিয়ালে আয়ুস্মান কাৰ্ডৰ জৰিয়তে বছৰি ৫ লাখ টকা পৰ্যন্ত বিনামূলীয়া চিকিৎসাৰ সুবিধা লাভ কৰাৰ লগতে প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ অধীনত বিনামূলীয়া ৰন্ধন গেছৰ সংযোগৰ সুবিধা লাভ কৰিব পাৰিব। তেওঁ কয় যে পূৰ্বৰ দৰে এতিয়া হিতাধিকাৰীয়ে গোটেই মাহটো চাউলৰ বাবে অপেক্ষা নকৰি নিৰ্দ্দিষ্ট দহদিনৰ ভিতৰতে সংশ্লিষ্ট সুলভ মূল্যৰ দোকানৰ পৰা তেওঁলোকৰ প্ৰাপ্য চাউল সংগ্ৰহ কৰিব পাৰিব। তেওঁ লগতে কয় যে অন্ন সেৱা দিনৰ প্ৰৱৰ্তনৰ দ্বাৰা ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ সমগ্ৰ যোগান শৃংখলাটো অধিক স্বচ্ছ, নিকা আৰু হিতাধিকাৰীৰ সুবিধাজনক হৈ উঠিছে তথা চাউলৰ চোৰাং কাৰবাৰ বা ক'লা বজাৰত বিক্ৰী বন্ধ হৈছে। সমগ্ৰ দেশৰ লগতে অসমতো 'ৱান নেচন ৱান ৰেচন কাৰ্ড' আঁচনি প্ৰৱৰ্তন কৰা হৈছে বুলি উল্লেখ কৰি তেওঁ এই আঁচনিৰ জৰিয়তে যিকোনো ৰেচন কাৰ্ডৰ আধাৰ নম্বৰ সংযুক্ত কৰা হিতাধিকাৰী সদস্যই দেশৰ যিকোনো আন ৰাজ্যতো নিজৰ প্ৰাপ্য ৰেচন লাভ কৰিব পাৰিব বুলিও জনায়। উল্লেখ্য যে, জিলাখনত মুঠ ২১,৯৩৭ সংখ্যক হিতাধিকাৰী সামৰি ১৩,৩১৬ খন ৰেচন কাৰ্ড খাদ্য সুৰক্ষা আইনৰ অধীনত অন্তৰ্ভুক্ত হৈছে। ইয়াৰে, সোণাৰি বিধানসভা সমষ্টিত এই প্ৰক্ৰিয়াৰ অধীনত নতুনকৈ ১১০৪৭ সংখ্যক হিতাধিকাৰী আৰু ৬৬৩৫ সংখ্যক ৰেচন কাৰ্ড খাদ্য সুৰক্ষা আইনৰ অধীনত অন্তৰ্ভুক্ত হৈছে। আনহাতে মাহমৰা বিধানসভা সমষ্টিত এই প্ৰক্ৰিয়াৰ অধীনত নতুনকৈ ১০৮৯০ সংখ্যক হিতাধিকাৰী আৰু ৬৬৮১ সংখ্যক ৰেচন কাৰ্ড খাদ্য সুৰক্ষা আইনৰ অধীনত অন্তৰ্ভুক্ত হৈছে। এই অনুষ্ঠানত আৰক্ষী অধীক্ষক সুৰজীৎ সিং পানেছৰ, অতিৰিক্ত জিলা আয়ুক্ত সোণতৃষ্ণা ঘৰফলীয়া, সোণাৰি পৌৰসভাৰ পৌৰপতি তিলক চন্দ্ৰ নেওগ, উপ-পৌৰপতি স্বাক্ষৰ জ্যোতি গগৈ, টাই-আহোম উন্নয়ন পৰিষদৰ সদস্য গিৰিণ গগৈ, সমাজকৰ্মী লক্ষীনাথ তাছা, এপিজিচিএলৰ স্বতন্ত্ৰ সঞ্চালক অনুপ সিং ৰাজপুৰোহিত প্ৰমুখ্যে জিলা প্ৰশাসন তথা বিভিন্ন চৰকাৰী বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

# শদিয়া সমজিলা প্ৰশাসনৰ উদ্যোগত নতুন হিতাধিকাৰীৰ মাজত পৰিয়াল পৰিচয় পত্ৰ (ৰেচন কাৰ্ড) বিতৰণ

**ই-সংবাদ, ডুমডুমা, ১৫ ডিচেম্বৰঃ** অসমৰ ১৯ জিলাৰ ৪৯ টা বিধানসভা সমষ্টিৰ লগতে শদিয়া সমজিলাতো নতুনকৈ নিৰ্বাচন কৰা হিতাধিকাৰীসকলৰ মাজত আজি পৰিয়াল পৰিচয় ( ৰেচন কাৰ্ড) বিতৰণ কৰা হয়। এই উপলক্ষে, চপাখোৱা ৰাজহুৱা খেলপথাৰৰ মুকলি মঞ্চত শদিয়া সমজিলা প্ৰশাসনৰ উদ্যোগত অনুষ্ঠিত ৮১ নং শদিয়া বিধানসভা সমষ্টিত নতুনকৈ নিৰ্বাচিত কৰা পৰিয়ালৰ পৰিচয় পত্ৰ বিতৰণৰ (ৰেচন কাৰ্ড) প্ৰথম পৰ্যায়ৰ আনুষ্ঠানিক কাৰ্য্যসূচী আজি শুভ উদ্বোধন কৰা হয়। এই অনুষ্ঠানত শদিয়া সমজিলাৰ আয়ুক্ত মানসজ্যোতি নাথে আদৰণী ভাষণ আগবঢ়ায়। শদিয়া বিধানসভা সমষ্টিৰ নতুনকৈ নিৰ্বাচিত কৰা হিতাধিকাৰী পৰিয়ালৰ পৰিচয় পত্ৰ আনুষ্ঠানিকভাৱে বিতৰণ কৰে সমজিলা আয়ুক্ত মানসজ্যোতি নাথৰ লগতে উপস্থিত থকা বিশিষ্ট ব্যক্তিসকলে। আজি নতুনকৈ নিৰ্বাচিত কৰা পৰিয়ালৰ পৰিচয় পত্ৰৰ হিতাধিকাৰীৰ সংখ্যা ১৫,৫৩৪ গৰাকীৰ লগতে মুঠ উপকৃত পৰিয়ালৰ সংখ্যা ৭,৮৯৮ টা। আজিৰ অনুষ্ঠানত প্ৰণাম আয়োগৰ আয়ুক্তা যুগবালা বুঢ়াগোহাঁই, চপাখোৱা পৌৰসভাৰ পৌৰনেত্ৰী বিচন্দ্ৰাৱতী সোণোৱাল, উপ-পৌৰপতি বিপিন গগৈ, স্থানীয় বিধায়কৰ বিশেষ প্ৰতিনিধি তথা মৰাণ স্বায়ত্ব পৰিষদৰ কাৰ্য্যবাহী সদস্য সীমান্ত মৰাণেও অংশগ্ৰহণ কৰি নতুনকৈ নিৰ্বাচিত হোৱা হিতাধিকাৰীলৈ পৰিয়ালৰ পৰিচয় পত্ৰ (ৰেচন কাৰ্ড) সমূহ বিতৰণ কৰে। উল্লেখ্য যে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীত কেন্দ্ৰীয়ভাৱে আয়োজন কৰা নতুনকৈ নিৰ্বাচিত কৰা ৰেচন কাৰ্ড বিতৰণৰ প্ৰথম পৰ্য্যায়ৰ শুভ উদ্বোধনী অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ উপস্থিত ৰাইজৰ উদ্দেশ্যে পৰ্দাৰ জৰিয়তে প্ৰদৰ্শন কৰা হয়।

# তামুলপুৰত ৬২৮৬ গৰাকী ছাত্ৰ ছাত্ৰীক স্কুটী, বাইচাইকেল আৰু চেক বিতৰণ

**ই-সংবাদ, তামুলপুৰ, ১৫ ডিচেম্বৰঃ** পঢ়াৰ সমান্তৰালকৈ খেলা ধুলা, সাহিত্য, সংগীতৰ চৰ্চা কৰক ছাত্ৰ-ছাত্ৰীসকলে।- এই মন্তব্য অসম চৰকাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ। শনিবাৰে তামুলপুৰ শ্ৰীশ্ৰী গোপাল আৰু জগন্নাথ থান সত্ৰত 'বিকাশৰ ১২ দিন' অনুষ্ঠানৰ কাৰ্যসূচীত অংশগ্ৰহণ মন্ত্ৰী বৰুৱাই পুনৰ কয় যে অসম চৰকাৰে প্ৰদান কৰা স্কুটী, বাইচাইকেল আৰু আনন্দৰাম বৰুৱা বঁটাই ছাত্ৰ-ছাত্ৰীসকলৰ জীৱনৰ অমূল্য সম্পদ হৈ থাকিব। বঁটা পোৱা ছাত্ৰ-ছাত্ৰীসকল অনাগত দিনৰ আদৰ্শৰ প্ৰতীক হৈ ৰ'ব। আজি লাভ কৰা এই বঁটাটোৱে জীৱনত আগবাঢ়ি যাবলৈ অধিক উৎসাহিত কৰিব। অসম মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শী চিন্তাৰ বাবে অসমৰ লাখ লাখ ছাত্ৰ-ছাত্ৰীয়ে এনেধৰণৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছে বুলিও মন্তব্য কৰে। তামুলপুৰত আই টি আইৰ শিক্ষানুষ্ঠান স্থাপন কৰাৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে তামুলপুৰত ইতিমধ্যে আই টি আইৰ শিক্ষানুষ্ঠানৰ বাবে অসম চৰকাৰে কম দিনৰ ভিতৰতে অনুমোদন আগবঢ়াব। এই আই টি আই শিক্ষানুষ্ঠানখন হ'লে তামুলপুৰৰ ছাত্ৰ-ছাত্ৰীৱসকল শিক্ষাৰ ক্ষেত্ৰত অধিক আগবাঢ়ি যাব পাৰিব। তামুলপুৰ জিলাৰ জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে আদৰণি ভাষণ ৰখা সভাখনত তামুলপুৰ বিধায়ক জলেন দৈমাৰীয়ে অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জনাই ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাৰ ক্ষেত্ৰত আগুৱাঢ়ি যাবলৈ আহ্বান জানায়। বিধায়কগৰাকীয়ে পুনৰ কয় যে ছাত্ৰ-ছাত্ৰীসকলক আগুৱাই নিয়াৰ বাবে আগতে কোনো এখন চৰকাৰে এনেধৰণৰ আঁচনি হাতত লোৱা নাছিল। কিন্তু ডঃ হিমন্ত বিশ্ব শৰ্মা অসমৰ মুখ্যমন্ত্ৰী হোৱাৰ পিছতে ছাত্ৰ-ছাত্ৰীসকলক আগুৱাই নিয়াৰ বিভিন্ন আঁচনি গ্ৰহণ কৰিছে বুলিও মন্তব্য কৰে। শিক্ষা, উদ্যোগ, বিত্ত আৰু ৰাজহ বিভাগৰ আঁচনিৰ সম্ভাৰেৰে মুখ্যমন্ত্ৰীয়ে আৰম্ভ কৰা বিকাশৰ ১২ দিন এই কাৰ্যসূচীৰ পিছত জিলাই জিলাই মন্ত্ৰীসকলৰ উপস্থিতিত এই কাৰ্যসূচী অনুষ্ঠিত কৰা হৈছে। তামুলপুৰ জিলাখনৰ ছাত্ৰ-ছাত্ৰীসকলক আজি প্ৰজ্ঞান ভাৰতী আঁচনিৰ ডঃ বাণীকান্ত কাকতি মেধাৰ বঁটাৰ অধীনত ৪৬৮ গৰাকী ছাত্ৰ-ছাত্ৰীক স্কুটী, মুখ্যমন্ত্ৰী বিশেষ আঁচনিৰ অধীনত নৱম শ্ৰেণীৰ ৫৪২০ গৰাকী ছাত্ৰ-ছাত্ৰীক বাইচাইকেল আৰু আনন্দৰাম বৰুৱা বঁটাৰ অধীনত হাইস্কুলত শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা ৩৯৮ গৰাকী ছাত্ৰ-ছাত্ৰীক চেক বিতৰণ কৰা হয়। আজিৰ অনুষ্ঠানত বি টি আৰ কাৰ্যবাহী সদস্য ধৰ্মনাৰণ দাস, এম চি এল বিজিৎ গৌৰা নাৰ্জাৰী, মনোনীত এম চি এল এ হেমন্ত কুমাৰ ৰাভা, তামুলপুৰ জিলা বিজেপিৰ সভাপতি ভিক্টৰ কুমাৰ দাস, তামুলপুৰ জিলাৰ আৰক্ষী অধীক্ষক দিগন্ত কুমাৰ চৌধুৰীৰ লগতে জিলা প্ৰশাসনৰ কেইবাগৰাকীও বিষয়া কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী, বিদ্যালয়ৰ প্ৰধান শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে। বটাঁ প্ৰদান অনুষ্ঠানৰ পিছতে মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই তামুলপুৰ জিলাত স্বাস্থ্যসেৱা শক্তিশালী কৰা আৰু প্ৰয়োজনীয় লোকসকলৰ বাবে চিকিৎসা সেৱা সুলভ কৰাৰ ক্ষেত্ৰত তামুলপুৰ মহকুমা অসামৰিক চিকিৎসালয়ত চাৰিখন বিছনাযুক্ত ডায়েলাইছিছ ইউনিট এটাৰ শুভাৰম্ভ কৰে। ইপিনে, সাংবাদিকৰ সৈতে হোৱা এক বাৰ্তালাপত কংগ্ৰেছৰ দলৰ সভাপতি ভূপেন বৰাৰ বিৰুদ্ধে সৰব হৈ তেওঁ কয় যে ভূপেন বৰাই একো নাজানে। তেওঁ হাৰা মানুহ। ভূপেন বৰা অযোগ্য। তেওঁ অযোগ্য বাবে চাৰি-পাঁচ বাৰ হাৰিছে। হাৰা মানুহে জিকা মানুহক উপলুঙা কৰিব নাপায়। কংগ্ৰেছে গান্ধী পৰিয়ালৰ পিছে পিছে দৌৰিলে হাৰিবই। কুকুৰৰ, মেকুৰী, ছাগলীক কেনেকৈ সাংসদ বনাব পাৰে তাৰ চিন্তা কৰি আছে গান্ধী পৰিয়ালে। সাংবাদিকৰ আন এক প্ৰশ্ন উত্তৰত মন্ত্ৰী বৰুৱাই কয় যে আমি বিকাশৰ ৰাজনীতি কৰিছো। উন্নয়নৰ ৰাজনীতি কৰিছো। শিৱসাগৰত কেবিনেট পতাৰ কথা চিন্তা কৰাৰ বাবে অখিল গগৈক মই ধন্যবাদ জনাইছো। 'হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে ৰাইজৰ হৈ কাম কৰি আহিছে। আমাৰ চৰকাৰখনে ৰাজ্যৰ সকলো মানুহৰ উন্নয়নৰ চিন্তা কৰে। বিৰোধীয়ে কেৱল নিজৰ চিন্তা কৰে। তাৰমাজতে অখিল গগৈয়ে শিৱসাগৰত কেবিনেট পতাৰ কথা কৈছে। সেয়ে তেখেতক ধন্যবাদ জনাইছো।'-এইদৰে কয় মন্ত্ৰীগৰাকীয়ে।

# শংকৰ সংঘৰ আইমাতৃ শাখাৰ জিলা সঞ্চালক, ক্ষীৰমাই বৰদলৈৰ দেহাৱসান

**ই-সংবাদ, বিশ্বনাথ, ১৪ ডিচেম্বৰঃ** বিশ্বনাথ জিলাৰ বৰপাম তিনিআলি গাঁও নিবাসী, ১নং সাপেখাতী নিম্ন বুনিয়াদী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী, ভক্তপ্ৰাণ মহিলা ক্ষীৰমাই বৰদলৈৰ যোৱা নিশা প্ৰায় ১১ বজাত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৮ বছৰ। প্ৰয়াত বৰদলৈ শ্ৰীমন্ত শংকৰ সংঘৰ লগত অতি নিবিড়ভাৱে জড়িত আছিল। তেওঁ সংঘৰ চতিয়া আঞ্চলিক সমিতিৰ উপদেষ্টা হিচাপে সেৱা আগবঢ়োৱাৰ উপৰি শোণিতপুৰ জিলা আইমাতৃ শাখাৰ সঞ্চালিকা ৰূপেও কাৰ্যনিৰ্বাহ কৰিছিল। আজি পুৱাৰ ভাগত তেওঁৰ শৰদেহ নিজ গৃহলৈ অনাৰ পিছতে অসংখ্য গুণমুগ্ধৰ সোঁত বয়। বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ, সমাজ সেৱক ডাঃ ৰঞ্জন গগৈ, শংকৰদেৱ নাম ধৰ্ম সমাজৰ বিশ্বনাথ জিলাৰ সভাপতি লক্ষীকান্ত শইকীয়া, সাপেখাতী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক তথা ছাত্ৰ-ছাত্ৰী, অংগনবাড়ী কেন্দ্ৰৰ কৰ্মচাৰী, শংকৰ সংঘৰ চতিয়া অঞ্চলিকৰ সভাপতি, সম্পাদক, বিশ্বনাথ জিলাৰ উপ-সভাপতি আৰু সম্পাদক, বৰপাম তিনিআলি গাঁৱৰ ৰাইজ আৰু আইমাতৃ সংগঠন, সাপেখাতী আৰু বৰপাম গাঁৱৰ ৰাইজ তথা আইমাতৃ সংগঠন, বৰপাম তিনিআলিৰ গাঁওৰক্ষী বাহিনীৰ বিষয়ববীয়া, লক্ষ্মীমন্দিৰ সমিতিৰ বিষয়ববীয়া, অনামী শিল্পী সংঘ, বৰপাম আদৰ্শ বিদ্যালয়, বৰপাম মধ্য ইংৰাজী বিদ্যালয়কে ধৰি বহু প্ৰতিষ্ঠান তথা ব্যক্তিয়ে প্ৰয়াত শিক্ষয়িত্ৰীগৰাকীৰ প্ৰতি অন্তিম শ্ৰদ্ধা জ্ঞাপন কৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পিছতে তেওঁ শিক্ষাদান কৰা বিদ্যালয়খনলৈ শৰদেহ লৈ এক শোভাযাত্ৰা উলিওৱা হয়। তেওঁৰ মৃত্যুৰ প্ৰতি শ্ৰদ্ধা জনাই আজি পুৱা বৰপাম তিনিআলিৰ সকলো ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ ৰখা হয়। মৃত্যুৰ সময়ত তেওঁ দুজন পুত্ৰ, দুগৰাকী বোৱাৰী, দুগৰাকী জীয়ৰী আৰু বহুকেইজন নাতি-নাতিনীক ইহ সংসাৰত এৰি থৈ যায়।


• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# ভেৰগাঁৱত বিশাল আয়োজনেৰে বড়োলেণ্ড চৰকাৰৰ চতুৰ্থ বৰ্ষপূতি অনুষ্ঠান

**ই-সংবাদ, ডিমাকুছি, ১৫ ডিচেম্বৰঃ** বিটিআৰৰ বিজেপি-ইউপিপিএল মিত্ৰজোঁট চৰকাৰে সম্পূৰ্ণ কৰিলে চতুৰ্থটো কাৰ্যকাল। জাক-জমকতাৰে অতি উলহ-মালহেৰে ভেৰগাঁৱত চতুৰ্থ বৰ্ষপূৰ্তি উদযাপন। দেওবাৰে দিনযোৱা কাৰ্যসূচীৰে ওদালগুৰি জিলাৰ ভেৰগাঁৱত ইউপিপিএল বিজেপি মিত্ৰজোঁটৰ চৰকাৰে উলহ-মালহেৰে উদযাপন কৰে বিটিআৰ চৰকাৰৰ চতুৰ্থ বৰ্ষপূৰ্তি। বৰ্ষপূতি অনুষ্ঠানত হাজাৰ-হাজাৰ জনতাৰ উপস্থিতিত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিটিআৰৰ মুৰব্বী প্ৰমোদ বড়ো, বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, কেবিনেট মন্ত্ৰী ইউ জি ব্ৰহ্ম। হাজাৰ-হাজাৰ দলীয় নেতা কৰ্মী আৰু ৰাইজক সম্বোধি দিয়া ভাষণত বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে বিগত চাৰিটা বছৰত বিটিআৰৰ পৰা হত্যা-হিংসা, অশান্তি জৰ্জৰ পৰিৱেশ নাইকিয়া কৰি এখন সুস্থ পৰিৱেশৰ বিটিআৰ গঢ়িবলৈ সক্ষম হোৱা বুলি উল্লেখ কৰে। বিটিআৰৰ প্ৰতিজন ইএম দাওবাইছা বড়ো, সঞ্জিৎ তাঁতী, ধৰ্ম নাৰায়ণ দাস, দিগন্ত বৰুৱা, সজল কুমাৰ সিনহা, ধনঞ্জয় বসুমতাৰী, অৰূপ কুমাৰ দে, ছাওৰাইগৌৰা বসুমতাৰীকে ধৰি সকলো ইএম, এমচিএলএ আৰু বিধায়কে টীম বিটিআৰ হিচাপে কাম কৰি বিটিআৰক উন্নয়ন দিশত আগবঢ়াই নিবলৈ সক্ষম হোৱা বুলি উল্লেখ কৰি তেওঁ এখন সুস্থিৰ বিটিআৰ গঠনত সকলোকে আগভাগ ল'বলৈ আহ্বান জনায়। নিজৰ ভাষণত বিটিআৰ প্ৰধান গৰাকীয়ে অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, অমিত শ্বাহকো ভূয়সী প্ৰশংসা কৰে। পূৰ্বৰ বিটিআৰতকৈ বৰ্তমান বিটিআৰৰ সকলো জাতি-জনগোষ্ঠীৰ লোককে সমমৰ্যাদা প্ৰদান কৰি উন্নয়নৰ বাবে বিটিআৰ চৰকাৰে দিনে-নিশাই কাম কৰি অহা বুলি দাবী কৰি তেওঁ আগন্তুক সময়ত বিদেশত গৱেষণাৰ বাবে বাছনি হোৱা গৱেষক ছাত্ৰ-ছাত্ৰীৰ বাবে বাছিৰাম বড়ো ফেলশ্বিপ পুনৰ আৰম্ভ কৰিব বুলি সদৰি কৰে। আজিৰ সভাতে তেওঁ বিটিআৰৰ ক্ৰীড়া ক্ষেত্ৰৰ উন্নয়নৰ বাবে ৪০টা সমষ্টিত ৪০খন অত্যাধুনিক ষ্টেডিয়াম নিৰ্মাণ কৰিব বুলিও ঘোষণা কৰে। বিটিআৰৰ বৰ্ষপূতি অনুষ্ঠানৰ লগত সংগতি ৰাখি ২৪১ গৰাকী ব্যক্তিক ভূমি পট্টা, ১০০ গৰাকী প্ৰগতিশীল মীন পালকক ১ লাখ টকাকৈ, ৭ গৰাকী জ্যেষ্ঠ খেলুৱৈক ২০ হাজাৰ টকাকৈ এককালীন সাহায্য প্ৰদান কৰাৰ লগতে জ্যেষ্ঠ সাংস্কৃতিক কৰ্মী গুণৰতী বসুমতাৰীক নিলেশ্বৰ ব্ৰহ্ম বঁটা প্ৰদান আৰু এককালীন সাহায্য প্ৰদান কৰাৰ উপৰিও বিভিন্ন শিতানত পাৰদৰ্শিতা দেখুওৱা বহু কেইগৰাকী ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰে। আজিৰ বৰ্ষপূৰ্তি অনুস্থানত বিটিআৰৰ ইএম, এমচিএলএ, বিধায়ক আৰু সাংসদৰ উপৰিও বিভিন্ন জাতি-জনগোষ্ঠীৰ হাজাৰ-হাজাৰ লোক উপস্থিত থাকে।

# কামাৰপোতা নৱজ্যোতি সংঘৰ অধিৱেশনৰ সফল সামৰণি

**ই-সংবাদ, শিমলীতোলা, ১৫ ডিচেম্বৰঃ** গোৱালপাৰা জিলাৰ পূব গোৱালপাৰা সমষ্টিৰ অন্তৰ্গত শান্তিপুৰ কামাৰপোতা নৱজ্যোতি সংঘৰ দুদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হোৱা তৃতীয় বাৰ্ষিক অধিৱেশনৰ শুকুৰবাৰে সফল সামৰণি পৰে। প্ৰথম দিনাৰ প্ৰথম কাৰ্যসূচী পতাকা উত্তোলনেৰে আৰম্ভ কৰি গজল, কোৰাণ পাঠ, আকস্মিক বক্তৃতা, তৰ্ক, সাধাৰণ খেল-ধেমালি, ভেশচন, সাংস্কৃতিক অনুষ্ঠান আদি অনুষ্ঠানৰ আয়োজন কৰে। শেষ দিনাৰ কাৰ্যসূচী বাঘমাৰা চৰ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ছোলেমান আলীৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা মুকলি আৰু বঁটা বিতৰণী সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে পূব গোৱালপাৰা বিধানসভা সমষ্টিৰ বিধায়ক এ কে ৰশিদ আলম। লগতে শিমলীতোলা বজাৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি আলহাজ সাহজাহান আলী, গোৱালপাৰা জিলা আমছুৰ উপ-সভাপতি ইমদাদ হুছেইনৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকি ভাষণ প্ৰদান কৰে। ভাষণত প্ৰসংগত বিধায়ক এ কে ৰশিদ আলমে ক্লাবৰ দাবী মৰ্মে দুধনৈ সমষ্টিৰ শান্তিপুৰ কামাৰপোতা গাঁৱৰ শোচনীয় অৱস্থাত থকা ৰাস্তাৰ কাম কৰিবলৈ পাই অত্যন্ত সুখী হোৱাৰ লগতে ক্লাবৰ সভাপতি ৰফিকুল ইছলাম, সম্পাদক আশ্বাদ আলীৰ লগতে সকলো সদস্যই এনেদৰে সমাজৰ লাভৰ বাবে কৰা কামৰ প্ৰসংশা কৰি ধন্যবাদ জনায়। ৰাইজক মনোৰঞ্জন দিয়াৰ উদ্দেশ্য নিশা সুদুৰ কলকাতাৰ পৰা আমন্ত্ৰণ কৰি অনা হৈছে কণ্ঠশিল্পীক।

# লামডিঙত অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ শাখা গঠন

**ই-সংবাদ, মোৰাঝাৰ, ১৫ ডিচেম্বৰঃ** যোৱা ১৫ ডিচেম্বৰত ৰেলৱে নগৰী লামডিঙত জ্যেষ্ঠ নাগৰিক সন্মিলনৰ এটি শাখা গঠন কৰা হয়। সেইদিনা স্থানীয় আজাদ হিন্দ লাইব্ৰেৰীত বিশিষ্ট সমাজসেৱক ৰত্নেশ্বৰ ৰয়ৰ সভাপতিত্বত অঞ্চলটোৰ তিনিকুৰিৰো অধিক জ্যেষ্ঠ নাগৰিকৰ লগতে হোজাই জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ বিষয়ববীয়াৰ উপস্থিতিত এখন প্ৰতিনিধিত্বমূলক সাধাৰণ সভা অনুষ্ঠিত হয়। সেইদিনা দিনৰ ১১ বজাত অসম সংগীতেৰে আৰম্ভ কৰা সভাখনৰ আৰম্ভণীতে লামডিং বিধান সভা সমষ্টিৰ বিধায়ক শিবু মিশ্ৰই শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰি কয় যে, দেশৰ জ্যেষ্ঠ নাগৰিকসকলে আজিৰ তাৰিখত শ্ৰেষ্ঠ নাগৰিক। সমাজ সংস্কাৰত জ্যেষ্ঠ নাগৰিকসকলে গুৰি ধৰিবলৈ আহ্বান জনায় বিধায়কগৰাকীয়ে লামডিঙৰ জ্যেষ্ঠ নাগৰিকসকল সংঘবদ্ধ হোৱাৰ প্ৰচেষ্টাক ভুয়সী প্ৰশংসা কৰাৰ লগতে জ্যেষ্ঠ নাগৰিক সন্মিলনক সকলো সময়তে পূৰ্ণ সহযোগ প্ৰদান কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। সভাত জিলা সন্মিলনৰ কাৰ্যকৰী সভাপতি ডঃ গুণেশ্বৰ শইকীয়া, উপ-সভাপতি দিলীপ বৰ্ধন, সহকাৰী সম্পাদক নজৰুল ইছলামকে ধৰি বহুকেইগৰাকী বক্তাই জ্যেষ্ঠ নাগৰিকসকলক সংঘবদ্ধ হোৱাৰ বাবে আহ্বান জনায়। নিৰ্দিষ্ট বক্তাৰ ভাষণত হোজাই জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সাধাৰণ সম্পাদক অনুপ কুমাৰ বৰঠাকুৰে অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সংবিধানৰ মূল উদ্দেশ্য আৰু লক্ষ্যৰ সম্পৰ্কত ব্যাখ্যা কৰি কয় যে, দেশৰ মুঠ জনসংখ্যাৰ ১৫ শতাংশ জ্যেষ্ঠ নাগৰিকৰ সৰহ অংশই আজি ঘৰ-পৰিবাৰ, জ্ঞাতি-কুটুম্ব, কনিষ্ঠজন আৰু চৰকাৰী অফিচ আদালত সকলোতে চৰম অৱজ্ঞা, অপমান আৰু অৱহেলাৰ মাজেদি দিন পাৰ কৰিছে। যিসময়ত ৰাষ্ট্ৰ সংঘকে ধৰি বিশ্বৰ অন্যান্য উন্নত আৰু উন্নয়নশীল দেশসমূহে দেশৰ জ্যেষ্ঠসকলক এক মৰ্যাদাপূৰ্ণ, নিৰাপদ জীৱন-যাপনৰ আইনগত সুবিধা প্ৰদান কৰিছে, সেইক্ষেত্ৰত ভাৰতৰ জ্যেষ্ঠ নাগৰিকসকলে নিজৰ সামান্য কাম এটাৰ বাবে আজিও বেংক, কাছাৰীত বিষয়াৰ দুৱাৰে দুৱাৰে হাবাথুৰি খাই ফুৰিব লাগে। পুত্ৰ সন্তানে বৃদ্ধাৱস্থাত কৰা অৱহেলাৰ বাবেই অনেকে যাঠিৰ পাছতে সমাগত মৃত্যুক আমন্ত্ৰণ জনাই নিঃসংগ জীৱনক আকোৱালি ল'ব লগা হৈছে। এইবোৰৰ প্ৰতিকাৰৰ উপায় চিন্তিবলৈকে আজি দেশৰ জ্যেষ্ঠসকল সংঘবদ্ধ হোৱাৰ প্ৰয়োজন হৈছে। বিতং আলোচনাৰ অন্তত সভাই অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ প্ৰতি আনগত্য ৰাখি লামডিং জ্যেষ্ঠ নাগৰিক সন্মিলনখন গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰি যথাক্ৰমে ৰত্নেশ্বৰ ৰয়ক সভাপতি সুবোধ চক্ৰৱৰ্তীক কাৰ্যকৰী সভাপতি দেবাশীষ গুপ্ত আৰু বিকাশজ্যোতি ভট্টাচাৰ্যীক উপ-সভাপতি, প্ৰদীপ চন্দ্ৰ শৰ্মাক সাধাৰণ সম্পাদক, স্বপন দাসক সহকাৰী সাধাৰণ সম্পাদক, বিমল পালক সাংগঠনিক সম্পাদক আৰু আব্দুল জলিলক বিত্ত সম্পাদকৰূপে লৈ ১৭ জনীয়া কাৰ্যকৰী সমিতি এখন সৰ্বসন্মতভাৱে গঠন কৰি দিয়ে। উল্লেখ্য, ইয়াৰ পাছতে একে স্থানতে ডঃ গুণেশ্বৰ শইকীয়াৰ সভাপতিত্বত জিলা কাৰ্যনিৰ্বাহক সভাখন অনুষ্ঠিত হয়। জিলাখনৰ বাৰটা শাখাৰ সভাপতি, সম্পাদক প্ৰমুখ্যে দুকুৰিগৰাকী সদস্যৰ উপস্থিতিত অনুষ্ঠিত সভাই অহা ২৮ ডিচেম্বৰত জ্যেষ্ঠ নাগৰিক কল্যাণ পৰিষদৰ দ্বাৰা আয়োজন কৰা বিনামূলীয়া স্বাস্থ্য পৰামৰ্শ শিবিৰ আৰু সজাগতা সভাত জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা কমেও পাঁচশ জ্যেষ্ঠ নাগৰিকৰ যোগদানৰ ব্যৱস্থা গ্ৰহণ কৰা হয়। এই বিশেষ সভাত নতুনকৈ গঠন কৰা হোৱা শংকৰদেৱ নগৰ জ্যেষ্ঠ নাগৰিক সন্মিলন আৰু ৰজাগাঁও জ্যেষ্ঠ নাগৰিক সন্মিলনলৈ স্বীকৃতি পত্ৰ প্ৰদান কৰা হয়।

# ৰঙিয়াত এছএছবিৰ স্পৰ্টছ মীটৰ সামৰণি

**ই-সংবাদ, ৰঙিয়া, ১৫ ডিচেম্বৰঃ** ৰঙিয়াত চেক্টৰ হেডকোৱাৰ্টাৰ সশস্ত্ৰ সীমা বলৰ দ্বাৰা ১২ ডিছেম্বৰৰ পৰা তিনিদিনীয়াকৈ আয়োজিত ফ্ৰন্টিয়াৰ এছ এছ বিৰ স্পৰ্টছ মীট-২০২৪ ৰ কালি সফল সামৰণি পৰে। গুৱাহাটীৰ এছ এছ বিৰ যুটীয়া সঞ্চালক প্ৰধান সুধীৰ বাৰ্মাৰ নিৰ্দেশনাত আৰু এছ এইচ কিউ, এছ এছ বি ৰঙিয়াৰ ডি.আই.জি ৰাজীৱ ৰাণাৰ তত্বাৱধানত এই ক্ৰীড়া প্ৰতিযোগিতাখন আয়োজন কৰা হয়। তিনিদিনীয়া এই প্ৰতিযোগিতাত ফ্ৰন্টিয়াৰ এছ এছ বি গুৱাহাটীৰ অধীনৰ সকলো গোটৰ পুৰুষ আৰু মহিলা বাহিনীৰ কৰ্মচাৰীসকলৰ বাবে বেডমিণ্টন, টেবুল টেনিছ, ভলীবল, এথলেটিকছ, টাগ অফ ৱাৰ আদি বিভিন্ন খেল অনুষ্ঠিত কৰা হয়। ক্ৰীড়া কমপ্লেক্স এছ এছ বি কেম্প ৰঙিয়াত অনুষ্ঠিত ক্ৰীড়া প্ৰতিযোগিতাৰ গ্ৰেণ্ড ফিনালে অনুষ্ঠানত বিটিআৰ প্ৰধান প্ৰমোদ বড়ো মুখ্য অতিথি হিচাপে উপস্থিত থাকে। মুখ্য অতিথিগৰাকীয়ে ভাষণত জোৱানসকলৰ মনোবল, মান আৰু স্বাস্থ্য বৃদ্ধিৰ বাবে বৃহৎ ক্ৰীড়া প্ৰতিযোগিতা আয়োজনৰ বাবে আইজি, ফ্ৰন্টিয়াৰ এছ এছ বি, গুৱাহাটী, ডিআইজি এছ এইচ কিউ, ৰঙিয়া আৰু ক্ৰীড়া প্ৰতিযোগিতাৰ আয়োজক সমিতিৰ উদ্যোগক প্ৰশংসা কৰে।

# ডুমডুমাত খেল মহাৰণ ২.০ আৰম্ভ

**ই-সংবাদ, ডুমডুমা, ১৫ ডিচেম্বৰঃ** অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ উদ্যোগত দ্বিতীয় বৰ্ষৰ বাবে অনুষ্ঠিত ' খেল মহাৰণ ২.০ ' ৰ ৮২ নং ডুমডুমা বিধানসভা সমষ্টিৰ প্ৰতিযোগিতাসমূহ আজিৰে পৰা ডুমডুমা নগৰ খেলপথাৰত অনুষ্ঠিত হৈছে। ডুমডুমা বিধানসভা সমষ্টিৰ অন্তৰ্গত ১৪খন গাঁও পঞ্চায়ত আৰু ডুমডুমা পৌৰসভা পৰ্যায়ত অনুষ্ঠিত খেল মহাৰণ ২.০ ৰ প্ৰতিযোগিতাসমূহত বিজয়ী প্ৰতিযোগীসকলে বিধানসভা পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছে। এই পৰ্যায়ৰ বিজয়ীসকলে জিলা পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব। আজি বিয়লি ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ বিভাগ (কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা) বিভাগৰ নৱনিযুক্ত মন্ত্ৰী ৰূপেশ গোৱালাই আনুষ্ঠানিকভাৱে এই বিধানসভা সমষ্টি পৰ্যায়ৰ খেল মহাৰণ ২.০ উদ্বোধন কৰে। অনুষ্ঠানত ডুমডুমা পৌৰসভাৰ পৌৰপতি কান্তা ভট্টাচাৰ্য, বিশিষ্ট ক্ৰীড়া সংগঠক ললিত গগৈ প্ৰমূখ্যে কৰি ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে।




ব্ৰীছবেন টেষ্টত ভাৰতৰ বিৰুদ্ধে ট্ৰেভিছ হেডৰ শতকীয় ইনিংছ, দেওবাৰে

# অকৰ্মণ্য আৰক্ষী! গোলকগঞ্জত সাংবাদিকে উদ্ধাৰ কৰিলে চুৰি ই-ৰিক্সা

**ই-সংবাদ, গোলকগঞ্জ, ১৫ ডিচেম্বৰঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ হৰিৰহাট বজাৰৰ পৰা তিনি মাহ পূৰ্বে চুৰি হোৱা এখন ই-ৰিক্সা আৰক্ষীৰ হেমাহিৰ বাবেই সাংবাদিকে চোৰৰ পৰা উদ্ধাৰ কৰা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, যোৱা পাঁচ ছেপ্টেম্বৰৰ সন্ধিয়া পূৰ্ণি গাঁৱৰ আব্দুল্লা সেখৰ ই-ৰিক্সা এখন হৰিৰহাট বজাৰৰ পৰা চুৰি হয়। চাৰিওফালে খবৰ লৈ পিছদিনা বৰুণডাঙা গাঁৱৰ মসিকুল হক, বাপ্পী সেখ আৰু লাকী সেখৰ নামত গোলকগঞ্জ থানাত আব্দুল্লাই এজাহাৰ দাখিল কৰে। ৰহস্যজনকভাবে আৰক্ষীয়ে গোচৰটো ৰুজু কৰাৰ পৰা বিৰত থাকে। চোৰৰ পৰা ই-ৰিক্সা উদ্ধাৰৰ দায়িত্ব লয় গোলকগঞ্জ থানাৰ প্ৰিয়ভাজন দুই সাংবাদিক। উল্লেখ্য যে এজাহাৰত উল্লেখ থকা বাপ্পী হকে ই-ৰিক্সা খন বিক্ৰী কৰিছিল বতুৰাতলী গাঁৱৰ সহিদুল হক ওৰফে ছেকেন্দাৰৰ ওচৰত। সাংবাদিক দুজনে ২১ নৱেম্বৰত ছেকেন্দাৰৰ হতুৱাই বাপ্পীক মতাই আনি গোলকগঞ্জ আৰক্ষীক হস্তান্তৰ কৰে। বাপ্পীয়ে তামাৰহাটৰ মফিজুদ্দিন সেখৰ পৰা ক্ৰয় কৰাৰ লগতে ছেকেন্দাৰৰ ওচৰত বিক্ৰী কৰা বুলি আৰক্ষীৰ সন্মুখত স্বীকাৰ কৰে। তৎসত্বেও চোৰৰ অভিযুক্ত বাপ্পীক লকআপত ৰাখি পিছদিনা স্বসন্মানে মুকলি কৰি দিয়ে। আনহাতে চুৰি ই-ৰিক্সা ক্ৰয় কৰা ছেকেন্দাৰক হাতৰ কাষত পাইও আৰক্ষীয়ে এৰি দিয়ে। অৱশেষত কালি সাংবাদিক দুজনৰ সহযোগত ই-ৰিক্সা খন উদ্ধাৰ কৰি থানালৈ অনা হয়। আৰক্ষী বিষয়াৰ উপস্থিতিত সন্ধিয়া চুৰি হোৱা ই-ৰিক্সা খন আব্দুল্লাক ঘুৰাই দিয়া হয়। চোৰৰ হাতৰ পৰা চুৰি হোৱা সামগ্ৰী উদ্ধাৰ হয় যদিও চোৰ সাৰি যোৱা আৰু ৰাইজৰ গোচৰ ৰুজু নকৰি অকৰ্তৃত্বশীল ব্যক্তিৰ হতুৱাই চুৰি সামগ্ৰী উদ্ধাৰ কৰা ঘটনাই গোলকগঞ্জ আৰক্ষীৰ অন্ত:সাৰশূন্যতা পুনৰ প্ৰমাণ কৰিলে। ইয়াৰ এক উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনাইছে স্থানীয় ৰাইজে।




newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)

কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰি